# স্মৃতিগ্ৰন্থ

# SOUVENIR

গুৱাহাটী বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় কাবাডী আৰু আৰ্চাৰী প্ৰতিযোগিতা

## সুৰেন দাস মহাবিদ্যালয়, হাজো

১৮-২০ মাৰ্চ, ২০১৮



সম্পাদনা

ড° ৰীপিমা বুজৰবৰুৱা



Organizing Committee



Technical Committee



Finance Committee



Souvenir Committee



Accommodation Committee



Reception Committee

# স্মৃতিগ্ৰন্থ

# S o u v e n i r

গুৱাহাটী বিশ্ববিদ্যালয়

আন্তঃমহাবিদ্যালয় কাবাডী আৰু আৰ্চাৰী প্ৰতিযোগিতা

**সুৰেন দাস মহাবিদ্যালয়, হাজো**

১৮-২০ মাৰ্চ, ২০১৮

GAUHATI UNIVERSITY

INTER COLLEGE KABADDI AND ARCHERY TOURNAMENT

**SUREN DAS COLLEGE, HAJO**

Date : 18th-20th March, 2018

**সম্পাদনা**

ড° ৰীপিমা বুজৰবৰুৱা

Souvenir : Gauhati University Inter College Kabaddi and Archery Tournament, 2017-2018, Edited by Dr. Ripima Buzarbaruah and Published by Organising Committee of the Tournament.

প্ৰকাশক ঃ সাংগঠনিক কমিটি, গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় কাবাডী আৰু আৰ্চাৰী প্ৰতিযোগিতা, সুৰেন দাস মহাবিদ্যালয়।

ISBN : 978-81-923806-0-5

সম্পাদনা সমিতি

সভাপতি ঃ ড° হিৰণ্য কুমাৰ শৰ্মা

সম্পাদক ঃ ড° ৰীপিমা বুজৰবৰুৱা

সদস্য ঃ ড° আলী আকবৰ হুছেইন
ড° ৰঞ্জু ঠাকুৰীয়া
ৰঞ্জুমা বেগম (আলোচনী সম্পাদিকা, সুৰেন দাস মহাবিদ্যালয়, হাজো)

বেটুপাতৰ শিল্পী ঃ বিষ্ণু কোঁৱৰ

প্ৰথম প্ৰকাশ ঃ মাৰ্চ, ২০১৮
সুৰেন দাস মহাবিদ্যালয়, হাজো

মুদ্ৰণ/ডিজাইনিং ঃ আৰ. কে. প্ৰিন্টিং এণ্ড প্ৰডাক্চন
ৰাজগড় ৰোড, গুৱাহাটী-৩
৮৮৭৬৫-৪০৩৮৫

**Sarbananda Sonowal**

**Chief Minister, Assam**
**Guwahati**

सत्यमेव जयते



Dispur
9.3.2018

## MESSAGE

I am happy to know that Suren Das College, Hajo is going to organise Gauhati University Inter-College Kabaddi and Archery Tournament from 18th to 20th March, 2018 and a souvenir is also going to be published to mark the occasion.

As the tournament would provide an excellent opportunity to the participating students to engage in sports activities and showcase their talents in kabaddi and archery, it is imperative for all stakeholders to utilise this platform to instil a sense of camaraderie among the youth to channelize their potentials for achieving sporting excellence and bringing laurels to the state and the nation.

I extend my best wishes to Suren Das College, Hajo on this occasion and hope this souvenir would help cherish the joyous moments and preserve the success stories created by the event.

(SARBANANDA SONOWAL)

DR. HIMANTA BISWA SARMA, Ph.D. LLB
Minister, Assam

Finance, Planning & Development, Health & F.W., Education, Tourism, Guwahati Development, Cooperation, Handloom & Textile (Khadi & Village Industry) Pension & Public Grievances.



## Message

I am glad to learn that Suren Das college, Hajo is organizing Gauhati University Inter-College Kabaddi and Archery Tournament from 18th to 20th March, 2018. I am also happy to know that a souvenir will also be published to commemorate the event.

I appreciate the endeavour, as such events give a unique opportunity to students to showcase their multiple talents outside the normal academic subjects. It is hoped that the august tournament will not only provide a brilliant spectacle to sports lovers and well-wishers as they will witness budding players/teams vying for the coveted titles but will also go a long way in spreading the message of camaraderie and love amongst one and all.

I would like to convey my heartiest best wishes for successful hosting of the tournament as well as the publication to be brought out on this occasion.

(HIMANTA BISWA SARMA)

E-Block, 3rd Floor, Assam Secretariat, Dispur, Guwahati - 781 006, Assam
Tel. No. : 0361-2237315, Fax : 0361-2237012
e-mail : himantab@hotmail.com / himantabsarmaoffice@gmail com

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

Dr. Mridul Hazarika
Vice Chancellor
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com



## MESSAGE

It gives me immense pleasure to know that Suren Das College, Hajo is going to organize *Gauhati University Inter-College Kabaddi and Archery Tournament* from 18th March to 20th March, 2018.

I am extremely happy to learn that to commemorating this tournament, the organizing committee has decided to publish a Souvenir.

I wish all success in their mission and hope the Souvenir will be well accepted by the readers.

I wish the tournament a grand success.

Date : 12.03.2018

( Mridul Hazarika )

Address: Gopinath Bardoloi Nagar, Jalukbari, Guwahati, Assam 781014
Phone : 0361 257 0412
Web : www.gauhati.ac.in

*Naba Kumar Doley*
**Minister of State (Ind.)**
Panchayat & Rural Development, Sports & Youth Welfare,
Cultural Affairs, Social Welfare (MoS to assist CM) Departments
Govt. of Assam

सत्यमेव जयते

Block-C, Room No. C-101, 1st Floor,
Assam Secretariat, Dispur, Guwahati-781006
Tel : 0361-2237292 (O)
Mob : +91 98640 11117
e-mail : nabakumardoley@gmail.com



## MESSAGE

It gives me immense pleasure to learn that Suren Das College, Hajo is going to organize "Gauhati University Inter-College Kabaddi and Archery Tournament" on 18th,19th,20th March,2018 and a souvenir is going to be published synchronizing with the occasion.

I hope, the event will provide budding sports persons of the State great opportunity to unearth their talents by giving them the much-needed exposure. Moreover, the event will go a long way in spreading the spirit of friendship and brotherhood among the players.

Finally, I wish grand success of the event.

8/3/2018

(Naba Kumar Doley)

# সূচীপত্ৰ

| | | |
|---|---|---|
| অধ্যক্ষৰ মেজৰ পৰা | | ৮ |
| সম্পাদকীয় | | ১০ |
| ঐতিহাসিক পটভূমিত হাজো | প্ৰমোদ চন্দ্ৰ মেধি | ১১ |
| গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদঃ জন্ম আৰু উদ্দেশ্য | ড° প্ৰবীণ চন্দ্ৰ দাস | ১৩ |
| হাজোৰ খেলুৱৈসকলক বিচাৰি | শ্ৰীপ্ৰকাশ দাস | ১৬ |
| হাজোৰ ক্ৰীড়াক্ষেত্ৰখনৰ এটি চমু আলোকপাত | ধনেশ্বৰ দাস | ১৯ |
| ক্ৰীড়াৰ প্ৰাসংগিকতা | বীৰেন্দ্ৰ কুমাৰ দাস | ২২ |
| কাবাডী, হৈ গুদু বা হাউখেল | ড° ৰীপিমা বুজৰবৰুৱা | ২৫ |
| অসমৰ লোক খেল-ধেমালি আৰু বিশ্বায়নৰ প্ৰভাৱ | ড° ৰঞ্জু ঠাকুৰীয়া | ২৮ |
| অসমৰ পৰম্পৰাগত নাওখেল | মন্মি কাকতি | ৩০ |
| হাজোৰ পৰ্যটনৰ বিকাশৰ বাবে কিছু চিন্তা | দিপাঙ্ক নাৰায়ণ ঠাকুৰীয়া<br>জয়ন্ত কুমাৰ দাস | ৩১ |
| Kabaddi | Madan Mohan Das | ৩৫ |
| Problems and Prospects of Women's Participation in Sports: An Overview | Dr. Ramen Medhi | ৩৮ |
| PLAY GROUND AS AN UNCOVERED SCHOOL | Dr. Binita Das | ৪১ |
| Committees/Sub-Committes | | ৪৩ |

# অধ্যক্ষৰ মেজৰ পৰা...

পঞ্চতীৰ্থ হাজোৰ এখনি অন্যতম উচ্চশিক্ষাৰ অনুষ্ঠান হৈছে সুৰেন দাস মহাবিদ্যালয়। হাজো অঞ্চলৰ বিদ্যানুৰাগী ব্যক্তিসকলৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৭৯ চনৰ ২৯ আগষ্টত গঢ়লৈ উঠা অনুষ্ঠানখনে জন্মলগ্নৰে পৰা এতিয়ালৈ উচ্চশিক্ষাৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজৰ আশা আকাংক্ষা পূৰণ কৰিবলৈ চেষ্টা চলাই আহিছে।



আৰম্ভণিতে নিজৰ ভূমি আৰু ভৱনৰ অভাৱত মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ হাজো এচ.বি.এচ.কে. আৰ. উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈছিল। ইয়াৰ পিছত হাজোৰ ধোপৰগুৰি সত্ৰই প্ৰদান কৰা ভূমিত হাজোৰ বিশিষ্ট ব্যক্তি সুৰেন দাসে নিৰ্মাণ কৰি দিয়া দুমহলীয়া ভৱনত ১৯৮৬ চনৰ পৰা মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ নিয়মীয়াকৈ অনুষ্ঠিত হয়। ১৯৮৭ চনত মহাবিদ্যালয়খনে অসম চৰকাৰৰ ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়ত পৰিণত হয়। ১৯৯৮ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ ২F আৰু ১২ B ৰ স্বীকৃতি লাভ কৰে। ইতিমধ্যে National Assessment and Accreditation Council অৰ দ্বাৰা মহাবিদ্যালয়খন ২০০৪ আৰু ২০১৫ চনত পৰিদৰ্শন কৰোৱা হৈছে আৰু মহাবিদ্যালয়খনে ২০১৫ চনৰ পৰিদৰ্শনত B Grade লাভ কৰিছে।

সময়ৰ সোঁতত মহাবিদ্যালয়খনলৈ বিভিন্ন পৰিবৰ্তন আহিল। হাজো ১ নং পঞ্চায়ত সমবায় সমিতিয়ে নিৰ্মাণ কৰা বিজ্ঞান ভৱন আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ আৰু অসম চৰকাৰৰ বিভিন্ন শিতানৰ পৰা লাভ কৰা অনুদানেৰে পুথিভঁৰাল, ছাত্ৰীনিবাস, চেমিনাৰহল, আদি নিৰ্মাণ কৰা হ'ল।

২০১৬ চনৰ ৪ আগষ্ট তাৰিখে এই মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰো। যোৱা ডেৰটা বছৰত মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰচেষ্টাৰ কোনো ত্ৰুটি কৰা হোৱা নাই। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ প্ৰথম বৰ্ষই ইতিমধ্যে অনুমোদন লাভ কৰিছে আৰু দ্বিতীয় বৰ্ষৰ অনুমোদন প্ৰক্ৰিয়া চলি আছে। অহা শিক্ষা বৰ্ষৰ পৰা বিজ্ঞানৰ স্নাতক পৰ্য্যায়ৰ শ্ৰেণীসমূহ আৰম্ভ কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে আৰু যাৱতীয় কাম-কাজ প্ৰায় সম্পূৰ্ণ কৰা হৈছে। কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ শ্ৰেণীসমূহ চলি আছে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতকোত্তৰ পৰ্যায়ৰ শ্ৰেণী আৰম্ভ কৰিবলৈ পৰিদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পূৰ্বৰ পৰা বাকী থকা পৰিদৰ্শনৰ কাম সম্পূৰ্ণ কৰা হৈছে। উন্নত প্ৰযুক্তি সম্পন্ন প্ৰেক্ষাগৃহৰ কাম সম্পূৰ্ণ কৰি মুকলি কৰা হৈছে, ইনডোৰষ্টেডিয়ামৰ নিৰ্মাণৰ কাম চলি আছে।





ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ পৰা লাভ কৰা অনুদানৰ ধনেৰে লাইব্ৰেৰী e-resource, মহাবিদ্যালয়ৰ Wi-Fi ৰ কাম কৰা হৈছে আৰু গৱেষণাগাৰৰ সঁজুলি ক্ৰয় কৰা হৈছে। RUSA ৰ পৰৱৰ্ত্তী পৰ্যায়ৰ ধনেৰে শ্ৰেণী কোঠাৰ বাবে এটা তিনিমহলীয়া ভৱন আৰু পুথি ভঁৰালৰ পৰিৱৰ্দ্ধনৰ পৰিকল্পনা কৰা হৈছে।

শিক্ষাৰ উপৰিও খেলা-ধূলাৰ ক্ষেত্ৰতো ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াৰ প্ৰচেষ্টা চলাই থকা হৈছে আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয়খনে ইতিমধ্যে দুবাৰ সফলভাৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় খেল প্ৰতিযোগিতা (১৯৯৬ চনত ফুটবল আৰু ২০১৫ চনত ভলীবল প্ৰতিযোগিতা) অনুষ্ঠিত কৰিছে। এইবাৰো গুৱাহাটী বিশ্ববিদ্যালয়ে ২০১৭-১৮ বৰ্ষৰ আন্তঃমহাবিদ্যালয় কাবাডী আৰু আৰ্চাৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ আমাৰ মহাবিদ্যালয়ক দায়িত্ব অৰ্পণ কৰিছে।

আমি আশা ৰাখিছো মহাবিদ্যালয়ৰ পৰিয়ালৰ লগতে অঞ্চলটোৰ ৰাইজৰ সহযোগত আমি এই দায়িত্ব সুচাৰুৰূপে সম্পন্ন কৰিব পাৰিম। কাবাডী আৰু আৰ্চাৰী দুয়োবিধেই অঞ্চলটোৰ বাবে নতুন কিয়নো আগতে আনুষ্ঠানিকভাৱে বহল ভিত্তিত খেলোৱা হোৱা নাই। সেইবাবে খেল দুবিধে ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজকো আকৰ্ষণ কৰিব বুলি আশা কৰা হৈছে।

শেষত খেল দুখন সুন্দৰভাৱে অনুষ্ঠিত কৰিবলৈ সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পিছতো ৰৈ যাব পৰা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো।

ড° হিৰণ্য কুমাৰ শৰ্মা

অধ্যক্ষ

সুৰেন দাস মহাবিদ্যালয়, হাজো



# সম্পাদকীয়...



এটা সুস্থ শৰীৰতহে এটা সুস্থ মন বাস কৰে বুলি কোৱা হয়। পুথিগত বিদ্যাই ব্যক্তিৰ মানসিক বিকাশ সাধন কৰে। কিন্তু শাৰীৰিক আৰু মানসিক এই দুয়োধৰণৰ বিকাশেহে ব্যক্তিৰ ব্যক্তিত্ব পৰিপূৰ্ণভাৱে প্ৰকাশ কৰে। সেইবাবে সম্পূৰ্ণ শিক্ষাৰ বাবে পুথিগত জ্ঞানৰ লগতে ক্ৰীড়াকো সমানে গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয়। ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষানীতি ১৯৮৬, ৰাষ্ট্ৰীয় ক্ৰীড়া নীতি ২০০১, ৰাষ্ট্ৰীয় যুৱ নীতি ২০০৩ আদিয়ে ক্ৰীড়াক শিক্ষণ প্ৰক্ৰিয়াৰ অপৰিহাৰ্য অংশ হিচাপে স্বীকৃতি দিছে আৰু যুৱ প্ৰজন্মৰ মাজত ক্ৰীড়া সংস্কৃতি গঢ়ি তোলাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে।

বৰ্তমান বিশ্বায়নৰ যুগত বহুতো ছাত্ৰ-ছাত্ৰী পথ ভ্ৰষ্ট হৈছে, কিছুমানে তীব্ৰ প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি হতাশাত ভুগিছে আৰু বহুতে আত্মহননৰ পথো বাছি লৈছে। এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত ক্ৰীড়াৰ প্ৰাসঙ্গিকতা আগতকৈ বাঢ়ি অহা যেন বোধ হয়। কিয়নো ক্ৰীড়াই খেলুৱৈসুলভ মনোভাৱৰ সৃষ্টি কৰি পৰাজয়ক হাঁহি মুখে স্বীকাৰ কৰাৰ উপৰিও জয়ক বিনয়েৰে গ্ৰহণ কৰাৰ শিক্ষা দিয়ে। ই আত্মবিশ্বাস আৰু ইতিবাচক চিন্তাৰ কৰ্ষণ কৰি জীৱনত হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ সাহসেৰে সন্মুখীন হোৱাৰ মানসিকতা গঢ়ি তোলে। এইদৰে ক্ৰীড়াৰ জৰিয়তে এটা সুস্থ শৰীৰৰ লগতে এটা সুস্থ সবল মনৰো অধিকাৰী হোৱা যায়।

বহু সময়ত মানৱ জীৱনটোক খেলৰ লগত তুলনা কৰা হয় আৰু কোৱা হয় 'Life is a game, play it'। খেলৰ দৰেই মানুহৰ জীৱনটোও জয়, পৰাজয়, প্ৰত্যাহ্বানেৰে ভৰপূৰ। তেনে ক্ষেত্ৰত খেলুৱৈ সুলভ মনোভাৱেৰে জীৱনটোত আগবাঢ়ি গ'লেহে নেতিবাচক চিন্তাই ব্যক্তিক দুৰ্বল কৰিব নোৱাৰে আৰু জীৱনৰ বিভিন্ন পৰিস্থিতিৰ সাহসেৰে সন্মুখীন হৈ জীৱনটো উপভোগ কৰিব পাৰি।

কোনো অনুষ্ঠানৰ লগত জড়িত স্মৃতিগ্ৰন্থ একোখনে অনুষ্ঠানটোৰ স্মৰণীয় কৰি ৰখাত সহায় কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় কাবাডী আৰু আৰ্চাৰী প্ৰতিযোগিতাৰ লগত সঙ্গতি ৰাখি এই স্মৃতি গ্ৰন্থখনি প্ৰকাশ কৰিবলৈ লোৱা হৈছে। হাজো অঞ্চলটোৰ লগত ক্ৰীড়াৰ লগত জড়িত বিভিন্ন লিখনি স্মৃতি গ্ৰন্থখনত অন্তৰ্ভুক্ত কৰা হৈছে আৰু প্ৰতিযোগিতা দুখনৰ বিষয়েও সামান্য আভাস দিবলৈ বিচৰা হৈছে। স্মৃতি গ্ৰন্থখনি প্ৰকাশ কৰি উলিওৱাত বিভিন্ন দিশৰ পৰা সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাৰ লগতে মোৰ সম্পাদনা সমিতিৰ সদস্যবৃন্দক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। তদুপৰি লিখনিৰে সমৃদ্ধ কৰা বাবে লেখক-লেখিকাসকলক ধন্যবাদ জনাইছো। স্মৃতি গ্ৰন্থখনি সৰ্বাঙ্গসুন্দৰভাৱে প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে যদিও অতি কম সময়ৰ ভিতৰত প্ৰকাশ কৰিবলগীয়া হোৱাত ৰৈ যাব পৰা ভুল ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰিছো।

ড° ৰীপিমা বুজৰবৰুৱা





# ঐতিহাসিক পটভূমিত হাজো



**প্ৰমোদ চন্দ্ৰ মেধি**

অৱসৰপ্ৰাপ্ত অধ্যক্ষ, হাজো এচ.বি.এচ.কে.আৰ. উচ্চতৰ মাধ্যমিক বিদ্যালয়

পূৰাণ প্ৰসিদ্ধ গাঁও হাজো। বীৰ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ ৰজাই হয়গ্ৰীৱ মাধৱ মন্দিৰৰ ভাঙি পৰা অংশ মেৰামতি কৰি পূজা-সেৱাৰ ব্যৱস্থা কৰাৰ পৰাহে হাজোৰ ইতিহাস ধাৰাবাহিকভাৱে জনা যায়। প্ৰকৃততে হয়গ্ৰীৱ মাধৱ মন্দিৰৰ নিৰ্মাণ কাল গৱেষকসকলে এতিয়াও নিৰ্ণয় কৰিব পৰা নাই। মন্দিৰৰ নিম্নভাগত থকা হাতীৰ শুঁৰসমূহ (যিটো অংশ প্ৰাচীন মন্দিৰৰ ভগ্নাৱশেষ) বৌদ্ধ স্থাপত্য কলাৰ নিদৰ্শন বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে।

ভাস্কৰবৰ্মাৰ নিধানপুৰ তাম্ৰশাসনখন আৰু প্ৰাচীন কামৰূপীয়া ৰাজশাসন আৱিষ্কৃত হোৱাৰ পিছত পুৰণি কামৰূপ ৰাজ্যৰ বিষয়ে পণ্ডিতসকলৰ দৃষ্টিভংগী সলনি হৈছে। এতিয়া তেওঁলোকে অসমক বৈদিক ধৰ্ম-সংস্কৃতিৰ আঁতৰৰ অসভ্য দেশ আছিল বুলি নভবা হৈছে। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ উৎপত্তি সম্বন্ধে পুৰাণত উল্লেখিত কাহিনীটো হ'ল — ভগৱান বিষ্ণুৱে হয়গ্ৰীৱ ৰূপ ধৰি হয়াসুৰক বধ কৰি ইয়াতেই হিন্দুৰ বেদকেইখন উদ্ধাৰ কৰে। এই কাহিনীটোৰ পৰাও আমি অনুমান কৰিব পাৰো যে অতীতত এই ঠাইত বৈদিক ধৰ্ম-সংস্কৃতিৰ চৰ্চা হৈছিল।

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে অসম সংগীতত উল্লেখ কৰিছে —

শংকৰাচাৰ্য্যৰ গুৰু অসমীয়া কুমাৰিল ভট্ট নাম।
জগদ্‌গুৰুৰো গুৰু হ'ব পাৰি ভট্টই দেখালে কাম।।

কুমাৰিল ভট্টপাদ আৰু তেওঁৰ খুৰাক ধৰ্মকীৰ্তি হিন্দু আৰু বৌদ্ধ দৰ্শনৰ প্ৰথমশাৰীৰ পণ্ডিত আছিল। ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণনে কুমাৰিল ভট্টপাদক A great champion of Hinduism বুলি উল্লেখ কৰিছে। ঐতিহাসিক Vincent A Smith এ "The Oxford Students History of Indiaত মন্তব্য কৰিছে —"The Hindu reaction against Buddhism was carried further early in the eighth century by Kumarila Bhatta, an Assamese Brahmin." বিশ্ববিখ্যাত বৌদ্ধ দাৰ্শনিক ধৰ্মকীৰ্তি আৰু কুমাৰিল ভট্টই ইজনে সিজনৰ মতৰ কটু সমালোচনা কৰিলেও দুয়োজনৰ যে জন্মসূত্ৰে সম্পৰ্ক আছিল তাত পণ্ডিতসকল একমত। ধৰ্মকীৰ্তিয়ে জাতিভ্ৰষ্ট হৈ বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল আৰু পৰৱৰ্তী কালত বৌদ্ধ দৰ্শনৰ বিশিষ্ট পণ্ডিত হৈছিল। বিশ্ববিখ্যাত এই দুগৰাকী বিদগ্ধ পণ্ডিতে যে হাজোত জন্মগ্ৰহণ কৰিছিল, সেই বিষয়ে বিশিষ্ট সংস্কৃত পণ্ডিত মনোৰঞ্জন শাস্ত্ৰীদেৱে তেখেতৰ কুমাৰিল ভট্টপাদ আৰু আচাৰ্য্য ধৰ্মকীৰ্তি গ্ৰন্থত এনেভাৱে উল্লেখ কৰিছে — 'ধৰ্মকীৰ্তি আৰু কুমাৰিল ভট্টক পুৰণি কামৰূপৰ বা প্ৰাগজ্যোতিষ ৰাজ্যৰ মণিকূটৰ (আধুনিক হাজো অঞ্চলৰ) লোক বুলি

মানি লোৱা উচিত” পৃঃ ১৭।

অসম সাহিত্য সভাৰ হাজো অধিৱেশনৰ বুৰঞ্জী সন্মিলনৰ সভাপতিৰ ভাষণত ডঃ বিশ্বনাৰায়ণ শাস্ত্ৰীদেৱে হাজোৰ বিষয়ে এইদৰে উল্লেখ কৰিছে — ‘ধৰ্মভূমি আৰু কৰ্মভূমি হাজোৰ গৌৰৱগাঁথা পুৰাণৰ যুগৰ পৰা সমানে প্ৰকাশ হৈ আহিছে। বামন, কূৰ্ম, নৰসিংহ আদি পুৰাণ, বিষ্ণু, ধৰ্মোত্তৰ, কালিকা পুৰাণ প্ৰভৃতি উপ-পুৰাণ আৰু যোগিনী তন্ত্ৰ, গৰাক্ষ, বৃহদ-গৰাক্ষ, শাৰদাতিলক আদি তন্ত্ৰ হাজোৰ প্ৰশংসাত মুখৰ হৈ উঠা দেখা যায়। যোগিনী তন্ত্ৰত দেৱ মন্দিৰৰ বাহিৰেও আশে-পাশে থকা লোকসকলৰ আৰু তেওঁলোকৰ ঘৰ-দুৱাৰৰ বৰ্ণনাও আছে।’

হৃষ্টপুষ্ট নৰ-নাৰী, বিদ্বান লোকে বাস কৰা হাজো ধন-ধানেৰে পৰিপূৰ্ণ, একোঘৰ মানুহৰ ঘৰ-দুৱাৰ নানা ৰত্নেৰে সুশোভিত, বাটৰ মুখত তোৰণ আৰু তাৰ কাষেদি একোটাকৈ ৰাজবাট। শুকুলা ৰাজহাঁহৰ দৰে শুৱনি প্ৰাসাদত হাজোৰ অধিবাসীসকলে বাস কৰিছিল। বিদ্বান লোকৰ একোটা গোষ্ঠী আছিল আৰু তেওঁলোকে শাস্ত্ৰ চৰ্চা কৰিছিল। নানা অলংকাৰেৰে সুশোভিত নাৰীসকল সদায় সন্তুষ্ট আছিল। তেওঁলোকে দাঁতত ক’লা ৰং সানিছিল। বীণা, বেণু, ক্ষেপনী আদি বাদ্য বজাই তেওঁলোকে নাচ-গানেৰে আমোদ-প্ৰমোদ কৰিছিল।

সময়ৰ সোঁতত অতীতৰ সেই গৌৰৱোজ্জ্বল দিনৰ অন্ত পৰিল। মঠ-মন্দিৰ ভাঙি পৰিল আৰু গোটেই অঞ্চল হাবি জংঘলে আৱৰি ধৰিলে। বীৰ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱ কোঁচ ৰাজ্যৰ পূব পিনৰ অংশৰ ৰজা হ’ল। সেই সময়ত হাজোক মণিকূট গাঁও নামেৰে জনা গৈছিল। তেওঁ এদিন হাজো অঞ্চললৈ চিকাৰ কৰিবলৈ আহিছিল। এই বিষয়ে সমুদ্ৰখড়ি দৈৱজ্ঞই দৰং ৰাজবংশাৱলীত লিখিছে —

ৰঘুদেৱ গৈলা মৃগ মাৰিবাক প্ৰতি
মণিকূট গ্ৰাম তৰে ভৈলা উপাসক।
সৰোবৰ আছে এক পৰম গহন।।
ওপৰত পিটপৰি আছে নিৰন্তৰ।
তথাকে আছিল বাঘ্ৰ জল ভুঞ্জিবাৰ।।
জলতে আছল ভয়ংকৰ কূৰ্ম এক।
বাঘ্ৰৰ চৰণে কামুৰিয়া ধৰিলেক।
মণিকূট মঠ পূৰ্বে শিলৰ আছিল।
পাপিষ্ঠ যবনে আসি তাহাক ভাঙ্গিলা।।

ৰঘুদেৱ ৰজাই ভগ্নপ্ৰায় অৱস্থাত হাবি জংঘলৰ মাজত হয়গ্ৰীৱ মাধৱ মন্দিৰটো দেখি পুনৰ নিৰ্মাণ কৰিলে আৰু তেওঁৰ ৰাজ্যৰ নামো কোঁচ হাজো ৰাজ্য ৰাখিলে।

এবাৰ মহাপুৰুষ মাধৱদেৱে ৰজাৰ কোনো কামত অসন্তুষ্ট হৈ উজনিলৈ যোৱাৰ মনস্থ কৰিলে। এই কথা জানিব পাৰি নাৰায়ণ ঠাকুৰে মাধৱদেৱক প্ৰাৰ্থনা কৰি ক’লে — ‘আপুনি যদি এই ঠাই এৰি আন ঠাইলৈ যাবলৈ মন কৰিছে, তেন্তে ৰজাক খুজি এডোখৰ পূণ্যভূমি লৈ তাতে সত্ৰ কৰি থাকক।’ ঠাকুৰ আতাৰ কথা শুনি মাধৱদেৱে পূণ্যভূমি এডোখৰ খুজিবলৈ ৰজাৰ ওচৰলৈ এজন ভকতক পঠিয়ালে। তেতিয়া ৰজাই তেওঁক গোকুললৈ যাবলৈ আদেশ কৰিলে। এই কথা জানিব পাৰি ৰজাৰ পৰামৰ্শদাতাই ৰজাক ক’লে — ‘যি দেশ ঠাইত সন্ত মহন্ত নথাকে শাস্ত্ৰে শ্মশান শাল বুলিছে। আনে চপায় আপুনি খেদে দূৰৈক। বোলে হুনু পূণ্য ভূমি খুইছে? বোলে দহো আমাৰ দেশত আছে হাজো এই পূণ্য ভূমি। বোলে হয় তেনো তাতে দুও মাধও মতা নমতা থাৰকগৈ।’ (কথা গুৰু চৰিত-পৃঃ ৫৬৯)।

হাজোৰ ধৰ্মীয় গুৰুত্বলৈ লক্ষ্য কৰি ইছলাম ধৰ্মৰ প্ৰৱৰ্তক গিয়াচুদ্দিন আউলিয়াই উত্তৰ-পূব ভাৰতত ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে আহি হাজোকেই ইছলাম ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰ হিচাপে নিৰ্বাচন কৰে আৰু ইয়াতেই তেওঁ দেহো ত্যাগ কৰে। এইগৰাকী ধৰ্ম-প্ৰচাৰক আৰু সাধকৰ মাজাৰটোক কেন্দ্ৰ কৰি পৰৱৰ্তী কালত গঢ় লৈ উঠে মুছলমানসকলৰ অন্যতম তীৰ্থস্থান পোৱামক্কা।●





# গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ ঃ জন্ম আৰু উদ্দেশ্য



**ড° প্ৰবীণ চন্দ্ৰ দাস**
অৱসৰপ্ৰাপ্ত সঞ্চালক, ছাত্ৰ কল্যাণ বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়

মাথোঁ পুথিগত বিদ্যা আহৰণে সম্পূৰ্ণ ব্যক্তি গঢ়িব নোৱাৰে। মানৱ সম্পদ গঢ় দিবলৈ শ্ৰেণী কোঠাভিত্তিক পঠন-পাঠনৰ উপৰিও অইন পথো আছে। প্ৰতিগৰাকী ব্যক্তিৰে ভিতৰত একো একোটা সুপ্ত প্ৰতিভা থাকে। সেয়া মেধা, ক্ৰীড়া, সংস্কৃতি যিকোনো ক্ষেত্ৰৰে হ’ব পাৰে। মানৱ সম্পদ গঢ়িবলৈ হ’লে ছাত্ৰ-ছাত্ৰীৰ এনেবোৰ সুপ্ত প্ৰতিভা চিনাক্ত কৰি সেইবোৰক সাকাৰ ৰূপ দিয়াটো শিক্ষক আৰু শিক্ষানুষ্ঠানসমূহৰ দায়িত্ব আৰু কৰ্তব্যৰ ভিতৰত পৰে। তেনে দায়িত্ববোধৰ প্ৰতি লক্ষ্য ৰাখি বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰম বহিৰ্ভূত ক্ৰীড়া-সংস্কৃতিৰ প্ৰতি উৎসাহ-উদ্যোগ বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে শিক্ষানুষ্ঠানৰ মহাবিদ্যালয়-বিশ্ববিদ্যালয় স্তৰতো বিভিন্ন আঁচনি আৰু কৰ্মপন্থা হাতত লোৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়েও ছাত্ৰ সমাজৰ ক্ৰীড়া-সংস্কৃতিৰ ক্ষেত্ৰত পাৰদৰ্শিতা বৃদ্ধি আৰু প্ৰতিভাবানসকলক তেওঁলোকৰ প্ৰতিভা বিকাশৰ সুযোগ দি জীৱনত বিভিন্ন প্ৰতিষ্ঠা লাভৰ পথ দেখুৱাৰ উদ্দেশ্যেৰে গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদবা Gauhati University Sports Board গঠন কৰে।

১৯৬৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদখন (Gauhati University Sports Board) গঠন কৰা হৈছিল। ক্ৰীড়া পৰিষদগঠনৰ উদ্দেশ্যসমূহ আছিল—

১। আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱ আৰু ক্ৰীড়া প্ৰতিযোগিত অনুষ্ঠিত কৰা আৰু পৰিচালনা কৰা।

২। আন্তঃবিশ্ববিদ্যালয় যুৱ-মহোৎসৱ আৰু ক্ৰীড়া প্ৰতিযোগিতা আমন্ত্ৰণ, অনুষ্ঠিত আৰু পৰিচালনা কৰা। আন্তঃবিশ্ববিদ্যালয় মহোৎসৱ আৰু প্ৰতিযোগিতালৈ বিশ্ববিদ্যালয়খনৰ প্ৰতিযোগী নিৰ্বাচন কৰা আৰু প্ৰেৰণ কৰা।

৩। ক্ৰীড়া আৰু সাংস্কৃতিক বিষয়ত ছাত্ৰসকলৰ প্ৰশিক্ষণ সূচীৰ ব্যৱস্থা কৰা আৰু তেওঁলোকৰ শাৰীৰিক দক্ষতা বৃদ্ধিৰ আঁচনি লোৱা।

৪। এনে ক্ষেত্ৰত পাৰদৰ্শিতা আৰু বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলৰ ভিত্তিত ট্ৰফী, কাপ, প্ৰমাণ পত্ৰ, বিশ্ববিদ্যালয় কালাৰ আৰু ব্লেজাৰৰ লগতে অইন বঁটা প্ৰদান কৰা।

৫। মহাবিদ্যালয়, অইন শিক্ষা প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয় ছাত্ৰ সমাজৰ সকলো ধৰণৰ ক্ৰীড়া, শৰীৰ চৰ্চা, শাৰীৰিক বৌদ্ধিক আৰু সাংস্কৃতিক উৎকৰ্ষ বৃদ্ধিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা লোৱা আৰু অনুপ্ৰেৰণা যোগোৱা।

৬। পৰিষদৰ কাৰ্যকাল এবছৰীয়া হ’ব আৰু ইয়াৰ সময় এক জুলাইৰ পৰা ৩০ জুনলৈ হ’ব। এই কাৰ্যকালক ক্ৰীড়াবৰ্ষ (Sports Session) বুলি কোৱা হ’ব।

৭। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আৰু

স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহ পৰিষদৰ সভ্য হ'ব পাৰিব। ইয়াৰ বাবে তেওঁলোকে নিৰ্দ্ধাৰিত ভৰ্ত্তি মাচুল দিব লাগিব।

পৰিষদে বিবেচনা কৰিলে ইয়াৰ সভ্য নহ'লেও ৰাজ্য চৰকাৰৰ দ্বাৰা পৰিচালিত আৰু অসমৰ অইন মহাবিদ্যালয় অথবা শিক্ষা প্ৰতিষ্ঠানে ক্ৰীড়া আৰু সাংস্কৃতিৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ সুযোগ পাব।

পৰিষদৰ পৰিচালনা সমিতিখন এই সকল কৰ্মকৰ্তাকলৈ গঠিত হ'ব—

১। সভাপতি

২। উপসভাপতি

৩। কোষাধ্যক্ষ

৪। সাধাৰণ সম্পাদক (যুৱকল্যাণ বিষয়া পদেন)

৫। তিনিজন যুটীয়া সম্পাদক (এজন সাংস্কৃতিক বিভাগৰ)

৬। দুজন সহকাৰী সম্পাদক (স্নাতকোত্তৰ আৰু অইন মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দুজন)

৭। বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ সদস্যভূক্ত মহাবিদ্যালয়ৰ পৰা দহজন সদস্য থাকিব। ইয়াৰে দুজন সদস্য উত্তৰ-পূৰ্ব্বৰ অইন ৰাজ্যৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ পৰা মনোনয়ন কৰা হ'ব। উল্লেখযোগ্য যে সেই সময়ত মণিপুৰ, মেঘালয় আদি উত্তৰ-পূৰ ভাৰতৰ ৰাজ্যসমূহৰ মহাবিদ্যালয়সমূহো পৰিষদৰ অন্তৰ্ভুক্ত আছিল।

ক্ৰীড়া পৰিষদৰ সভাপতি, উপসভাপতি, কোষাধ্যক্ষ, সাধাৰণ সম্পাদক আৰু যুটীয়া সম্পাদক কেইজন বিশ্ববিদ্যালয় কাৰ্যবাহী পৰিষদে নিযুক্তি দিব। তেওঁলোকৰ কাৰ্যকাল এটা ক্ৰীড়া বৰ্ষৰ বাবে হ'ব। কাৰ্যবাহী পৰিষদে প্ৰয়োজনবোধে তেওঁলোকৰ কাৰ্যকাল বৃদ্ধি কৰিব পাৰিব। পৰিষদৰ সদস্যৰ সংখ্যা বৃদ্ধি অথবা হ্ৰাস আৰু অইন শাখাৰ বাবে তিনি-চাৰিগৰাকী সদস্য অন্তৰ্ভুক্ত কৰিবলৈ কাৰ্যবাহী পৰিষদৰ সম্পূৰ্ণ ক্ষমতা থাকিব।

প্ৰয়োজনবোধে বিশেষকৈ আন্তঃমহাবিদ্যালয় ক্ৰীড়া, সাংস্কৃতিক প্ৰতিযোগিতা আৰু উৎসৱ পৰিচালনাৰ বাবে পৰিষদে ষ্টেডিং কমিটি আৰু উপ-সমিতি গঠন কৰিব পাৰিব। আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতা আৰু যুৱ-মহোৎসৱৰ পৰিচালনাৰ লগতে বিশ্ববিদ্যালয় খেল পথাৰ তদাৰকৰ বাবেও এনে কমিটি গঠন কৰিব পাৰিব। এই কমিটিবোৰত পৰিষদৰ সদস্যৰ পৰিবৰ্তে অইন যোগ্য ব্যক্তিক সদস্যৰূপে ল'ব পাৰিব। টুৰ্ণামেণ্ট, প্ৰতিযোগিতা আৰু প্ৰতিযোগী বাছনিৰ বাবে বিধি প্ৰস্তুত কৰা আৰু কাৰ্যকৰী কৰা, পৰিষদৰ বিধি-বিধান, উপ-বিধি আদি প্ৰস্তুত কৰা, কাৰ্যকৰী পৰিষদৰ অনুমোদন সাপেক্ষে পৰিষদৰ কৰ্মচাৰীৰ ওপৰত অব্যাহতিকে ধৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা, বিশ্ববিদ্যালয়ৰ অন্তৰ্ভূক্ত (affiliated) মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানসমূহক পৰিষদৰ সদস্যৰ্ভূক্ত কৰা, পৰিষদৰ বাৰ্ষিক বাজেট প্ৰস্তুত কৰা, পৰিষদৰ আৰ্থিক পুঁজিৰ তত্ত্বাৱধান কৰা, কোনো স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় অথবা শিক্ষা প্ৰতিষ্ঠান আৰু ছাত্ৰৰ ওপৰত নিলম্বনকে ধৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাকে ধৰি সাধাৰণতে পৰিষদৰ উদ্দেশ্য আৰু কৰ্মৰ প্ৰতি লক্ষ্য ৰাখি সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা লোৱা কমিটিবোৰৰ কাম হ'ব।

পৰিষদৰ সম্পৰ্কীয় আৰু ইয়াৰ ভিতৰুৱা সকলো কামতে পৰিষদখনেই সৰ্বময় কৰ্তা হ'ব। কোনো অনিবাৰ্য কাৰণবশতঃ পৰিষদৰ বিষববীয়াসকলৰ কাৰ্যকাল এক জুলাইৰ পৰা ত্ৰিশ জুনৰ ভিতৰত সমাপ্ত নহ'লে নতুন কমিটি নোহোৱালৈকে পুৰণিখনেই কাম কৰি যাব পাৰিব। কিন্তু ইয়াৰ সময়সীমা কোনো পধ্যেই ত্ৰিশ চেপ্তেম্বৰৰ পাছলৈ যাব নোৱাৰিব। তেনে হ'লে স্বয়ংক্ৰিয়ভাৱেই পৰিষদখন ভংগ হ'ব।

সাধাৰণ সম্পাদকৰ আহ্বান মৰ্মে পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব। সাধাৰণ সম্পাদকে সভাপতিৰ লগত আলোচনা মৰ্মে পোন্ধৰ দিনৰ সময় দি সভা আহ্বান কৰিব পাৰিব। অৱশ্যে বিশেষ প্ৰয়োজন হ'লে সভাপতিয়ে চমু সময়ৰ ভিতৰতে সভা অনুষ্ঠিত কৰিব পাৰিব। সভাপতি গৰাকীয়ে পৰিষদৰ সভা পৰিচালনা কৰিব। তেওঁৰ অনুপস্থিতিত উপসভাপতিয়ে সভাত পৌৰোহিত্য কৰিব। এক তৃতীয়াংশ সদস্য উপস্থিত থাকিলে সভাৰ থূল গঠন হ'ব। পদেন সদস্য ৰূপে সাধাৰণ সম্পাদক, যুটীয়া সম্পাদক আৰু সহকাৰী





সম্পাদককেইগৰাকীৰ সকলো কমিটিত ভোটাধিকাৰ থাকিব। সাধাৰণ সম্পাদকৰ নিৰ্দেশ মৰ্মে সহকাৰী সম্পাদক কেইজনে সকলো ষ্টেণ্ডিং কমিটিৰো সহকাৰী সম্পাদক ৰূপে কাৰ্য নিৰ্বাহ কৰিব। কোষাধ্যক্ষগৰাকী বিত্ত সমিতিৰ পদেন সভ্য হ'ব আৰু তেৱেঁই বিত্ত সমিতিৰ সভাত পৌৰোহিত্য কৰিব।

পৰিষদৰ প্ৰথমখন সভাতে নিম্নলিখিত ষ্টেণ্ডিং কমিটিসমূহ অথবা তাৰে ভিতৰৰ প্ৰয়োজন অনুযায়ী কমিটি গঠন কৰিব। বিত্ত, ফুটবল, ক্ৰিকেট, টেনিছ, হকী, বেডমিণ্টন, ৰোয়িং আৰু সাঁতোৰ, মহোৎসৱ, খেলপথাৰ, ইনড'ৰ গেমচ, এথলেটিক, সাংস্কৃতিক, তৰ্ক, ভলীবল, বাস্কেট বল আৰু পৰম্পৰাগত খেল-ধেমালি। বিত্ত আৰু খেল পথাৰ কমিটিৰ বাহিৰে আন সকলোবোৰ কমিটি আন্তঃ মহাবিদ্যালয় আৰু আন্তঃবিশ্ববিদ্যালয় প্ৰতিযোগিতাৰ বাবে গঠিত হ'ব। প্ৰতিযোগিতা আৰু দল গঠনৰ বাবে বাজেট প্ৰস্তুত কৰা, দল বাছনি কৰা, উপ-সমিতি গঠন কৰা, প্ৰতিযোগিতাৰ আয়োজন কৰা আৰু পৰিচালনা কৰা, এনে প্ৰতিযোগিতাত বিতৰ্কৰ সৃষ্টি হ'লে সমাধান কৰা আৰু নিয়ম আৰু অনুশাসন বজাই ৰখা আদি কমিটিবোৰৰ কাম হ'ব। কাৰ্যবাহী পৰিষদে নিযুক্তি দিয়া অথবা অৱসৰপ্ৰাপ্ত সদস্যৰ বাহিৰে পৰিষদত সদস্য পদ খালি থাকিলে পৰিষদে সেই কাৰ্যকালৰ বাবে পূৰণ কৰিব পাৰিব। পৰিষদৰ বিত্তীয় ক্ষেত্ৰত সকলো দিশ চোৱা-মেলাৰ দায়িত্ব কোষাধ্যক্ষ গৰাকীৰ হ'ব। এই ক্ষেত্ৰত পৰিষদে তেওঁৰ কাৰ্যৰ প্ৰতি লক্ষ্য ৰাখিব।

অন্তৰ্ভুক্তি মাচুল, পঞ্জীয়ন মাচুল, বিশ্ববিদ্যালয়ৰ বাৰ্ষিক অথবা বিশেষ বৰঙণি আৰু চৰকাৰৰ নিয়মীয়া অথবা উপলক্ষ্যভিত্তিক অনুদানেৰে পৰিষদৰ পুঁজি গঠন হ'ব। পৰিষদৰ সকলো আয় আৰু সংগ্ৰহ ভাৰতীয় ষ্টেট বেংকৰ বিশ্ববিদ্যালয় শাখাত থকা হিচাপত জমা হ'ব। পৰিষদৰ কোষাধ্যক্ষই হিচাপৰ লেন-দেন কৰিব। সকলো বিত্তীয় হিচাপৰ দায়িত্ব কোষাধ্যক্ষ আৰু সাধাৰণ সম্পাদকৰ ওপৰত ন্যস্ত থাকিব। এইবোৰৰ উপৰিও অইন কিছুমান প্ৰাসংগিক দফা সন্নিৱিষ্ট গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ বিধিখনত চহী কৰিছিল সেই সময়ৰ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক চিদানন্দ দাসে। ১৯৬৮ চনৰ ২২ ডিচেম্বৰত।

আঢ়ৈ কুৰি বছৰ পূৰ্বে ৰচনা কৰা গুৱাহাটী বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ সংবিধান, কৰ্মক্ষেত্ৰ আৰু পদ্ধতিৰো আজি ভালেখিনি পৰিবৰ্তন ঘটিছে। সংকোচনো ঘটিছে। সংকোচন ঘটিছে ভৌগোলিক বিস্তৃতি আৰু বিষয়ৰ (event)ৰ ক্ষেত্ৰত। তাহানি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থকা আজিৰ উত্তৰ-পূৰ ভাৰতৰ মণিপুৰ, মেঘালয় আদি ৰাজ্যৰ মহাবিদ্যালয়সমূহো ক্ৰীড়া পৰিষদৰ অধীনত আছিল। তেনেদৰে বিভিন্ন প্ৰকাৰৰ খেল-ধেমালিৰ সংখ্যাও অধিক আৰু বৈচিত্ৰ্যপূৰ্ণ আছিল। সেয়ে তেতিয়া বিশ্ববিদ্যালয়খনৰ আন্তঃমহাবিদ্যালয় ক্ৰীড়া সমাৰোহ আৰু যুৱ মহোৎসৱবোৰ যথেষ্ট প্ৰাণ চঞ্চল আৰু ৰং-বিৰঙৰ আছিল। তদুপৰি পূৰ্বতে ক্ৰীড়া শাখাত বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ যিমান উন্নত আৰু আকৰ্শণীয় আছিল আজি সি যথেষ্ট ম্লান পৰিছে যেন লাগে। সংস্কৃতি শাখাত পৰম্পৰাগতভাৱে বিশ্ববিদ্যালয়খনে বিষয়বস্তু আৰু পৰিৱেশনৰ মান কিছু পৰিমাণে অক্ষুন্ন ৰাখিব পাৰিছে। ক্ৰীড়া ক্ষেত্ৰত উন্নতি সাধিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলক অধিক অনুশীলন আৰু পৰিকাঠামোৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিলে হয়তো আশানুৰূপ ফল পোৱা যাব।

বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদ গঠন আৰু সমাৰোহ তথা মহোৎসৱসমূহত প্ৰতিযোগিতাৰ ভাৱ এটা থাকে যদিও মূলতে কেৱল প্ৰতিযোগিতাৰ বাবেই পৰিষদ গঠন আৰু ছাত্ৰ-ছাত্ৰীৰ সমাৰোহৰ উদ্দেশ্য নাছিল। উদ্দেশ্য আছিল প্ৰতিভা চিনাক্ত কৰা আৰু তেওঁলোকক জীৱনৰ প্ৰকৃত পথ দেখুওৱা। লগতে খেলুৱৈসুলভ মনোবৃত্তিৰে পৰম্পৰাৰ মাজত ভাতৃত্ববোধ গঢ়ি তোলা। ক্ৰীড়া-সংস্কৃতি দিশত উপযুক্ত ব্যৱস্থা লৈ গুৱাহাটী বিশ্ববিদ্যালয়ে সোণালী যাত্ৰা আৰম্ভ কৰিব বুলি আশা কৰিব পাৰি।●

# হাজোৰ খেলুৱৈসকলক বিচাৰি



শ্ৰী শ্ৰীপ্ৰকাশ দাস

হাজো এখন প্ৰাচীন ঠাই। বহুকেইজন ৰজাৰ ৰাজতন্ত্ৰৰ শাসনৰ প্ৰত্যক্ষ সোৱাদ হাজোবাসীয়ে পাইছে। সেয়ে অতীজৰে পৰা হাজোৱে সাহিত্য-সংস্কৃতি, ক্ৰীড়া তথা আমোদ-প্ৰমোদৰ ঠাই হিচাপে বিশেষভাৱে গুৰুত্ব লাভ কৰি আহিছে। শাসক গোষ্ঠীয়ে সময়ে সময়ে মনোৰঞ্জনৰ বাবে বহু খেল-ধেমালিৰ প্ৰচলন কৰা দেখা যায়। ঘোঁৰা দৌৰ, বুলবুলি চৰাই যুঁজ, কণী যুঁজ, নাৰিকল যুঁজ, নাও খেল, নগৰ দৌৰ, কাঁড় মৰা খেল, দবা খেল আদি হাজোৰ পৰম্পৰাগত মনোৰঞ্জক খেল-সংস্কৃতি। ঘোঁৰা দৌৰ আৰু নাও খেল প্ৰতিযোগিতা ষাঠিৰ দশকলৈ চলি আছিল। বৈকাণ্ঠ মহন্ত, কৰুণাকান্ত মজুমদাৰ সৰ্বোপৰি বামুণবড়িৰ যুযু আলীৰ ঘোঁৰা দৌৰৰ কথা এতিয়াও মানুহৰ মুখে মুখে। এই ঘোঁৰা দৌৰৰ চোৱাৰী আছিল অচ্যুত দাস (ভৰালীতোলা) আৰু বৈকাণ্ঠ মহন্ত। মুছা পালোৱান আৰু হৰেন পালোৱানৰ খেল প্ৰদৰ্শন আৰু কালীচৰণ মেজিচিয়ানৰ যাদু খেলে ৰাইজক চমকিত কৰিছিল।

আমাৰ প্ৰৱন্ধৰ মূল উদ্দেশ্য হ'ল হাজোৰ কৃতী ফুটবল খেলুৱৈসকলক ৰাইজক চিনাকি কৰি দিয়াৰ লগতে তেওঁলোকৰ সংশ্লিষ্ট খেল সংগঠনটোক যিটো সংগঠনে খেলুৱৈৰ সৃষ্টি কৰিছে। হাজোৰ প্ৰত্যেক পাৰা বা টোলা পৰ্যায়ত বহু খেলুৱৈ আছে। তদুপৰি স্কুল পৰ্যায়তো কৃতী খেলুৱৈ আছে। এই ক্ষুদ্ৰ প্ৰৱন্ধৰে সেই সকলোকে সামৰি পৰা নহ'ল, তাৰ বাবে ক্ষমা বিচাৰিছোঁ।

বেছি আগুৱাই যোৱাৰ সামৰ্থ্য নহ'লেও কুৰি শতিকাৰ আৰম্ভণিৰে পৰা সংগঠিত ভিত্তিত হাজোত ফুটবল খেল অনুষ্ঠিত হোৱাৰ তথ্য পোৱা যায়। তেতিয়াই হাজো জিলা ভিত্তিত ফুটবল দল গঠন কৰি খেল খেলিছিল। তেওঁলোকৰ উল্লেখযোগ্য হ'ল কৰুণাকান্ত মজুমদাৰ, পানীপাৰাৰ পীতাম্বৰ দাস, কৈৱৰ্তটোলাৰ কাচি দাস, ৰামদিয়াৰ ভবানন্দ মেধি। সেই সময়ৰ দলটোৰ নামকৰণ কৰা হয় 'হাজো টাউন ক্লাব'। পিছত এই দলত অন্তৰ্ভূক্ত হয় উমেশ চন্দ্ৰ দাস, বংশী ভৰালী, গোবিন্দ দাস, লোহিত হাটখোৱা, কাচিম আলী আদি। ত্ৰিশ দশকৰ শেষত এই দলৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে কৰুণাকান্ত মজুমদাৰ আৰু শশীভূষণ নমঃশূদ্ৰ। তেতিয়াই নতুন কৃতী খেলুৱৈৰ যোগদানেৰে এটা শক্তিশালী ফুটবল দল হিচাপে একেবাৰে চল্লিশ দশকৰ শেষলৈকে প্ৰখ্যাত হৈ পৰে। সেই সময়ৰ এই দলৰ কৃতী খেলুৱৈসকল হ'ল প্ৰফুল্ল চন্দ্ৰ দাস, বংকিম দাস, পৰমা দাস, জাফৰ আলী, নেকৰু দাস, দেৱ দাস, মমত চন্দ্ৰ মজুমদাৰ, যোগেন দাস, প্ৰফুল্ল দাস (গ'ল ৰক্ষক) আদি। এই দলটোৱে গুৱাহাটী জজ খেলপথাৰত মহাৰাণা আৰু গুৱাহাটী টাউন ক্লাবৰ বিৰুদ্ধে প্ৰৱল প্ৰতিদ্বন্দ্বিতাৰে খেলি সুনাম অৰ্জন কৰিছিল। এই খেলুৱৈসকলৰ সৃষ্টিৰ ক্ষেত্ৰত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ইয়াৰ খেলপথাৰখনৰ ভূমিকাও অত্যন্ত গুৰুত্বপূৰ্ণ। উপৰোক্ত খেলুৱৈসকলৰ প্ৰায়ভাগেই এসময়ৰ এই বিদ্যালয়ৰ ছাত্ৰ। তদুপৰি এই বিদ্যালয়ৰ ছাত্ৰসকলে 'বেষ্ট ইলেভেন' নাম দি বিভিন্ন





ঠাইত প্ৰতিযোগিতামূলক খেলত অংশ লৈছিল। এওঁলোকৰ লগতে সেই সময়ৰ আন কেইজনমান উল্লেখযোগ্য খেলুৱৈ হ'ল — গোলোক ভৰালী, ৰমেশ চন্দ্ৰ দাস, হাইদৰ আলী, কালীৰাম দাস, যামিনী পাঠক, ৰৌচন আলী, পুষ্পা দাস, সুৰেশ চন্দ্ৰ দাস, বিনোদ দাস, দুৰ্ল্লভ নাৰায়ণ দাস, জীৱন মালাকৰ, অন্ন মালাকৰ, মকছেদ আলী, ইলাহি (গাঁঠি) আদি। ইতিমধ্যে খেলুৱৈৰ সংখ্যা বৃদ্ধি পাই আহিল। ১৯৪৯ চনত 'হাজো ফুটবল এছোচিয়েচ' (এইচএফএ) নামে এটি নতুন দল গঠন হয়। ইয়াৰ সভাপতি ৰামপতি বৈশ্য। এই দলৰ খেলুৱৈসকল হ'ল — চিত্তৰঞ্জন দাস, কুমুদ দাস, উত্তম বৈশ্য, শম্ভু ৰাজবংশী, জ্যোতিষ মেধি, অচ্যুত দাস, খগেন ভৰালী, ৰত্ন মালাকৰ (গ'লৰক্ষক) ইক্ৰাম আলী, আনোৱাৰ হুছেইন, মক্তাৱ আলী, ৰাজেন বৈশ্য, শৰৎ বৈশ্য, সুৰেন মালাকৰ (গ'লৰক্ষক), তৈয়াজ আলী, মমত আলী, মকিব আলী, নৰেন দাস, সোণেশ্বৰ দাস, হৰেশ দাস, প্ৰবীণ দাস (ভৰালীটোলা) আদি। এইখিনি সময়তে ৰামপতি বৈশ্যক সভাপতি হিচাপে লৈ 'ধোপৰগুৰি স্প'ৰ্টিং ক্লাব' গঠন হয়। পাখামেলাৰ ওচৰৰ খেলুৱৈসকলৰ উপৰি এই দলৰ হৈ খেল আন খেলুৱৈসকল হ'ল — দেৱেন মালাকাৰ (গ'লৰক্ষক), জালি ৰাজবংশী, ৰমেশ ৰাজবংশী, নগেন দাস, কৰুণাকান্ত দাস, হৰেন বৰুৱা, অনন্ত দাস, যাদৱ মালাকাৰ, খগেন বৰুৱা, ফুকন দাস আদি। চল্লিশৰ দশকৰ হাজোৰ আন এটি জনপ্ৰিয় দল হাজো কৈৱৰ্তটোলাৰ 'সোণামুখী টীম'। এই টীমৰ অন্যতম খেলুৱৈসকল হ'ল — নেকৰু দাস, গেৰু, লংকেশ্বৰ, দেৱেশ্বৰ দেৱ, বিবেক, দেৱেন, হৰেশ (গ'লৰক্ষক), অৰুণ, যোগেন, হৰকান্ত, তৰুণ, ৰামেশ্বৰ, ভোলানাথ দাস, কেশৱ হাজৰিকা (বামুন্দী) আদি। টীম মেনেজাৰ আছিল হৰমোহন দাস। ইয়াৰ পৰাই ১৯৫৫ চনত 'দামোদৰ ক্লাব' নামে আন এটি দল গঠন হয়। ইয়াৰ খেলুৱৈসকল হ'ল কৃষণ্ড দাস, মেঘনাথ, কেশৱ, জালিৰাম, ভৃগু, মনাই, যতীন, হৰেশ (গ'লৰক্ষক) ভৱকান্ত দাস, (গ'লৰক্ষক) আদি। দল পৰিচালক আছিল মহেশ্বৰ দাস আৰু মহেশ দাস (বিদাচী)। এই দুয়োটা দলে বহুবাৰ চেম্পিয়ন হৈ বঁটা লাভ কৰি গাঁৱৰ সুনাম বৃদ্ধি কৰিছে। পঞ্চাশকৰ দশকতেই হাজো মুছলিম পট্টিত মুছা আলী, ইব্ৰাহিম আলী আদিৰ সহযোগত 'মহম্মদ স্প'ৰ্টিং ক্লাব' নামে আন এটি দল গঠন কৰা হয়। ইয়াৰ খেলুৱৈসকল মুখ্যত নৌচাদ আলী, মহম্মদ আলী, আহমেদ হুছেইন (গ'লৰক্ষক), আব্দুল ৰহিম, ফাইজুদ্দিন আহমেদ, ৰমজান আলী, মোকছেদ আলী, ইয়াহুদ, ইনচাম, ইৰছাদ, আৰব, আমজেদ, চাহবৎ, ইলাহি বকচ, ইছমাইল, মকিবৰ ৰহমান, আলী আখতাৰ, মুস্তাফা আলী আদি। মুছলিমপট্টীৰ খেলপথাৰত ১৯৪৭ চন মানৰ পৰা 'ছিদ্দিক আলী মেমোৰিয়েল শ্বিল্ড' প্ৰতিযোগিতা অনুষ্ঠিত হয়। সমসাময়িকভাৱে হাজো ফকিৰতোলাতো একে নামেৰে আন এটি ফুটবল টীম গঠন হয়। ইয়াৰ খেলুৱৈসকল আছিল নিজাম আলী, মোবাৰক, ৰমজান, মোক্তাব, ৰবছেদ, মাহতাব আলী, আনোৱাৰ হুছেইন, ৰহমাত, আবৰ, খিতাৰ, মুছলিম, আফতাব, নুৰবকচ, কবিৰ আলী (গ'লৰক্ষক), দিল, গোল, ওৱালী, ছেৰ মহম্মদ, খৰছেদ, আজাদ, মহচিন, হামিদ, নুৰুল আলী, মমতাজ হুছেইন, মজিবৰ ৰহমান, অকণ, মদন, ধৰণী। এওঁলোকে 'হিন্দু মুছলিম টীম' নামেৰে প্ৰতিযোগিতাত অংশ লৈছিল। ষাঠিৰ দশকৰ আৰম্ভণিতে গঠন হোৱা আন দুটা দল হ'ল ইয়ং ক্লাব, হাজো আৰু বীৰ বালক টীম। ইয়ং ক্লাবৰ সভাপতি আছিল অৱলাকান্ত আঠপৰীয়া। এই দলৰ মূল খেলুৱৈসকল হ'ল ধৰণীধৰ দাস, গোপাল কলিতা, ফুকন দাস, মকিবৰ ৰহমান, জ্যোতিষ আঠপৰীয়া, ধৰণীধৰ দাস (মহাদেৱটোলা), ধৰণী মালাকাৰ আদি। বীৰবালক টীমৰ সভাপতি আছিল বলি দাস (মহাদেৱটোলা) আৰু সম্পাদক ধনেশ্বৰ দাস, সহঃ সম্পাদক জনাৰ্দন মালাকাৰ। খেলুৱৈ আৰু সহযোগীসকল ধনেশ্বৰ দাস, অতুল আঠপৰীয়া, জ্যোতিষ দাস, মদনমোহন দাস, উমাচৰণ দাস (গ'লৰক্ষক), নলিনী দাস (গ'লৰক্ষক), উমেশ দাস, ছামছুদ্দিন, মহাভূগ আলী, শম্ভু দত্ত শৰ্মা আদি। ষাঠিৰ দশকত হাজো টাউন ক্লাব পুনৰ গঠন হয়। ইয়াৰ মূল

খেলুৱৈসকল হ'ল — মদন দাস, পৰেশ দাস, পবিত্ৰ কুমাৰ দাস, (গ'লৰক্ষক), কনক দাস, (গ'লৰক্ষক), প্ৰদীপ মালাকাৰ, চানাৰাম দাস, মহচিন আলী, জয়নাল আলী, কনক দাস, কমলাকান্ত মালাকাৰ, বীৰেন মজুমদাৰ, নৃপেন মজুমদাৰ, (গ'লৰক্ষক), ৰমেশ মালাকাৰ, বীৰেন বৈশ্য, মাধৱ মালাকাৰ, মাধৱ ওজা, গহীন ডেকা আদি। ১৯৭৮ চনত 'হাজো স্পৰ্টছ ইউনিয়ন' নামে এটা নতুন ফুটবল দল গঠন হয়। ইয়াৰ সভাপতি আছিল পবিন দাস আৰু সম্পাদক প্ৰণৱ মেধি। অন্য উদ্যোক্তা হ'ল — অৰুণ ভৰালী, সত্যনাৰায়ণ দাস আদি। এই দলটো ১৯৮৪ চনত 'হাজো স্পৰ্টছ ক্লাব' হিচাপে নামকৰণ কৰা হয়। জড়িত ব্যক্তিসকল হ'ল মমত মজুমদাৰ, ইউচুফ আলী, ভূবন শৰ্মা, অকণ ওজা আদি। এই ক্লাৱৰ খেলুৱৈসকলে অসমৰ বিভিন্ন ঠাইত খেল খেলি প্ৰভূত খ্যাতি পাইছে। খেলুৱৈসকল হ'ল — টংকেশ্বৰ বিশ্বাসী, হৰেন মজুমদাৰ, দিলীপ নায়ক, সুভাষ মালাকৰ, দীপক মালাকাৰ, তিলক মালাকাৰ, নৃপেন আঠপৰীয়া, প্ৰবীণ দাস, মানিক দাস, হেমেন মেধি, দুলাল পাঠক, খগেন দাস, ভৱেশ বৈশ্য, ধীৰেন মালাকাৰ, প্ৰতুল দাস (গ'লৰক্ষক), প্ৰণৱ মেধি, বীৰেন্দ্ৰ কুমাৰ দাস, ব্ৰজেন দাস, পবিন দাস, সুভাষ দাস, প্ৰভাত দাস, বলেন আঠুপৰীয়া, ভূবনেশ্বৰ, নলীন দাস, দীপক (দিপচং) দাস, মুকুল ভাগৱতী, ডিম্বেশ্বৰ ভৰালী, সূৰ্য দাস, মিণ্টু আলী (গ'লৰক্ষক), পৰমেশ নায়ক (গ'লৰক্ষক) আদি। ক্ৰীড়া সংগঠন হিচাপে হাজোৰ বৰ্তমান মূল সংগঠন হ'ল 'হাজো ক্ৰীড়া সন্থা' (১৯৭৩)। এই সন্থাৰ সেই সময়ৰ সভাপতি ধনেশ্বৰ দাস, সম্পাদক আছিল প্ৰফুল্ল নায়ক। আদি অৱস্থাৰ জড়িত ব্যক্তিৰ কেইজনমান হ'ল — মমত চন্দ্ৰ মজুমদাৰ, শ্ৰী প্ৰকাশ দাস, শৰৎ নায়ক, শংকৰ দাস, চন্দ্ৰকান্ত চিকদাৰ আদি। বৰ্তমান সভাপতি হ'ল উমেশ চন্দ্ৰ ওজা, সম্পাদক সুধীৰ কুমাৰ দাস। এই সন্থাই হাজোত প্ৰতিযোগিতামূলক খেল অনুষ্ঠিত কৰি অহাৰ উপৰিও ১৯৮৮ চনৰ পৰা কণ্ঠীৰাম দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰি আহিছে। এই সন্থাৰ উদ্যোগতে ১৯৮৪-৮৫ চনত বৰদলৈ ট্ৰফী ফুটবল খেল অনুষ্ঠিত হয়। কলিকতা আৰু অসমৰ আগশাৰীৰ দলে ইয়াত অংশ লৈছিল। ইয়াৰ উপৰি হাজো ক্ৰীড়া সন্থাই ২০০১ আৰু ২০০২ চনত কৃতী খেলুৱৈ, মুক্তিযুঁজাৰু প্ৰফুল্ল চন্দ্ৰ দাস সোঁৱৰণী ফুটবল প্ৰতিযোগিতা সফলতাৰে অনুষ্ঠিত কৰিছে। এই বছৰো ১৭,১৮,১৯ আৰু ২০ ফেব্ৰুৱাৰী তাৰিখে ৪১ সংখ্যক সদৌ অসম আন্তঃজিলা ছিনিয়ৰ আৰু পঞ্চম মিনি ভলীবল প্ৰতিযোগিতা জাকজমকতাৰে অনুষ্ঠিত কৰি ক্ৰীড়াৰ ক্ষেত্ৰত হাজো অঞ্চলৰ গৌৰৱ বৃদ্ধি কৰিছে। আগতেই উল্লেখ কৰা হৈছে যে হাজোৰ খেলুৱৈসকলৰ প্ৰায়ভাগেই ছাত্ৰাৱস্থাত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰশিক্ষণ লৈ সময়ত দক্ষ খেলুৱৈ হিচাপে প্ৰতিষ্ঠিত হৈছে। ইয়াত ছাত্ৰসকলে পূৰ্বৰে পৰা বিভিন্ন প্ৰতিযোগিতা অংশ লৈ কৃতিত্ব প্ৰদৰ্শন কৰি আহিছে। ২০০০ চনত খানাপাৰাৰ ভেটেৰিনাৰী খেলপথাৰত একাদশ পিলিক চৌধুৰী সোঁৱৰণী আন্তঃজিলা ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈ দিল্লীত সুব্ৰত মুখাৰ্জী আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত অংশ লোৱাৰ যোগ্যতা অৰ্জন কৰিছে। লগতে খেল পৰিচালনাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা হাজোৰ ৰেফাৰীসকলৰ নাম উল্লেখ কৰা হ'ল — ৰমেশ চন্দ্ৰ ভৰালী, অৱলাকান্ত আঠপৰীয়া, ধৰ্মকান্ত মেধি, হবিবৰ ৰহমান, ধনেশ্বৰ দাস, প্ৰদীপ আঠপৰীয়া, মদন মোহন দাস, বীৰেন্দ্ৰ কুমাৰ দাস, চৈয়দ ফজল আহমেদ খান। ইয়াৰ উপৰিও কাৰাটেৰ ক্ষেত্ৰতো হাজোৰ কেইজনমান ডেকাই কৃতিত্ব প্ৰদৰ্শন কৰিছে। ইয়াৰ ভিতৰত সঞ্জীৱ কুমাৰ দাসে শিলঙত, দিগন্ত কুমাৰ দাস আৰু শংকৰ মেধিয়ে গোৱাৰ পানাজীত জাপানৰ প্ৰশিক্ষকৰ তলত আন্তঃৰাষ্ট্ৰীয় কেম্পত ভাগ লৈ সুনাম অৰ্জন কৰিছে। এওঁলোক তিনিওজনেই ব্লেক বেল্ট পাইছে। সামৰণিত এটা কথা নক'লে নহ'ব যে আমাৰ খেলুৱৈসকলৰ মাজত যথেষ্ট সম্ভাৱ আছে। তেওঁলোকে প্ৰথম অৱস্থাত এটা টীমৰ মাধ্যমেৰে আত্মপ্ৰকাশ কৰিলেও সময়ত অন্য দলৰ হৈ বা নতুন দল কৰি একগোট হৈ প্ৰতিযোগিতাত অংশ লয়। আমাৰ খেলুৱৈসকলৰ ক্ৰীড়া শৈলীৰ কথা আজিও মানুহৰ মুখে মুখে।●





# হাজোৰ ক্ৰীড়াক্ষেত্ৰখনৰ এটি চমু আলোকপাত



ধনেশ্বৰ দাস, সভাপতি,
হাজো ক্ৰীড়া সন্থা

হাজোৰ ক্ৰীড়াক্ষেত্ৰখনৰ বিকাশ আৰু অগ্ৰগতিৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে আমি পোনচাটেই আঙুলিয়াব লাগিব হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখনলৈ। কিয়নো হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখন হাজো তথা হাজো অঞ্চলৰ ক্ৰীড়াপ্ৰেমী আৰু খেলুৱৈসকলৰ প্ৰাণকেন্দ্ৰ। খেলপথাৰখন সুস্থ তথা সেউজীয়া পৰিৱেশৰ মাজত থকা এখন উপযুক্ত ক্ৰীড়াংগন। এইখন ক্ৰীড়াংগনে বহুতো প্ৰতিভাসম্পন্ন সুদক্ষ খেলুৱৈৰ জন্মদাতা, যাৰ ফলত সুদক্ষ খেলুৱৈসকলে জীৱন নিৰ্বাহৰ পথ বিচাৰি পাইছে। গতিকে এই ক্ৰীড়াংগনখনক বাদ দিলে আমাৰ আলোচনা পূৰ্ণাংগ হ'ব নোৱাৰে। ৰাতিপুৱাৰ পৰা আবেলিলৈকে ই ব্যস্ততা পূৰ্ণ হৈ থাকে। খেলুৱৈসকলে সুস্থ বাতাবৰণৰ মাজত ইচ্ছানুসৰি খেলসমূহৰ অনুশীলন তথা বিকাশ ঘটাবলৈ সুযোগ লাভ কৰে। হাজোৰ ফুটবল, ভলীবল, বেডমিণ্টন, কাবাডী আদি খেলৰ খেলুৱৈসকল প্ৰথম পৰ্যায়ত হাজো উচ্চতম মাধ্যমিক (আগতে হাজো হাইস্কুল) বিদ্যালয়ৰ ছাত্ৰ। এওঁলোকেই হ'ল ক্ৰীড়াসমূহৰ গুৰি ধৰোতা। এওঁলোকেই ক্ৰীড়াৰ ক্ষেত্ৰত হাজো অঞ্চলক প্ৰতিনিধিত্ব কৰি আহিছে। আনুমানিক ১৯৩৬ চনৰ পৰা এইখন ক্ৰীড়াংগনতে ফুটবল, ভলীবল খেলৰ পাতনি মেলা হৈছিল। সেই সময়ত ফুটবল বা ভলীবল খেলৰ মানদণ্ড তেনেই উন্নত নাছিল। কিয়নো বিজ্ঞানসন্মত কলা-কৌশল প্ৰয়োগ কৰি মুখ্য প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দিয়া হোৱা নাছিল। কাৰণ সেই সময়ত কেনেধৰণৰ প্ৰশিক্ষকৰো অভাৱ আছিল। তাতে আকৌ গাঁৱত ইয়াৰ প্ৰভাৱো লেখত ল'বলগীয়া নাছিল। সেই সময়ৰ ফুটবল বা ভলীবলৰ আকাৰ-আকৃতি ওজন আদি আৰু ফুটবল বা ভলীবল তৈয়াৰ কৰা কৌশলো আজিৰ দৰে উন্নত নাছিল। তৎসত্বেও খেলুৱৈসকলে অনেক কষ্ট কৰি নিজে নিজে খেলসমূহৰ অনুশীলন কৰি গৈছিল। প্ৰতিযোগিতামূলক খেলসমূহত দক্ষ পৰিচালকৰ অভাৱ আছিল। অবৈজ্ঞানিক পদ্ধতিৰে হ'লেও নিজৰ নিজৰ কৰ্তব্য বুলি ভাবি নিয়মিত অনুশীলন কৰি গৈছিল। দিন বাগৰি যোৱাৰ লগে লগে খেলুৱৈসকলে ফুটবল, ভলীবলৰ উপৰিও কাবাডী আদিও খেলিবলৈ প্ৰয়াস কৰিছিল। সেই সময়ছোৱাত 'বেষ্ট ইলেভেন' নাম দি এটা ফুটবল দল গঠন কৰা হৈছিল। এই দলটোৱে হাজোৰ বাহিৰতো প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিছিল। সেই সময়ত ৰঙিয়াত অনুষ্ঠিত হোৱা 'নুৰুদ্দিন ফুটবল শ্বিল্ড' প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰি অঞ্চলৰ ক্ৰীড়াপ্ৰেমীসকলৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। খেলুৱৈসকলৰ খেলত আকৃষ্ট হৈ শ্ৰীহৰিকান্ত

শৰ্মা (হৰিবাবু)ই ৰঙিয়া স্কুলৰ শিক্ষকতা বাদ দি হাজো হাইস্কুলত যোগদান কৰিছিল। তেওঁৰ একমাত্ৰ উদ্দেশ্য আছিল যে হাজোত শিক্ষকতা কৰি 'বেষ্ট ইলেভেন' দলটোক অঞ্চলটোৰ এটা জাকতজিলিকা দল হিচাপে গঢ় দিয়া। তেওঁৰ আপ্ৰাণ চেষ্টাৰ ফলতে শ্ৰী উমেশ চন্দ্ৰ দাস, শ্ৰী যামিনি পাঠক, শ্ৰী গোবিন্দ দাস, শ্ৰী কালিৰাম দাস, শ্ৰী বংশী ভৰালী, শ্ৰী লোহিত হাটখোৱা, ৰৌচন আলী, শ্ৰী পুষ্প দাস, মঃ কাছিম আলী আদি পাৰদৰ্শিতা দেখুৱাব পৰা খেলুৱৈৰ সৃষ্টি হৈছিল। আকৌ এই দলটোক বিশেষ অৰিহণা যোগাইছিল শ্ৰী প্ৰফুল্ল দাস, শ্ৰী ৰমেশ চন্দ্ৰ দাস, মঃ হাইদৰ আলী, শ্ৰীমমন্ত চন্দ্ৰ মজুমদাৰ, শ্ৰী গোলোক ভৰালী, শ্ৰী সুৰেশ দাস আদি সুদক্ষ খেলুৱৈয়ে। কথিত আছে যে শ্ৰী প্ৰফুল্ল দাসৰ কোবাল শ্বটে গ'লৰক্ষকৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিছিল। আগতে কৈ অহা হৈছে যে প্ৰথম পৰ্যায়ত এই স্কুলীয়া দলটোৱে হাজো ক্ৰীড়াক্ষেত্ৰখনৰ মুখ্য ভূমিকা পালন কৰিছিল। শ্ৰীহৰিবাবুৰ পিছত ১৯৪৩ চন মানৰ পৰা শ্ৰী ৰমনীকান্ত শৰ্মাই খেলসমূহৰ প্ৰশিক্ষক তথা পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰি বিভিন্ন খেলৰ অনুশীলন কৰাইছিল আৰু ৰাইজক আকৰ্ষণ কৰিছিল। লাহে লাহে এই দলটোত নতুন নতুন দক্ষ কিছুমান খেলুৱৈ যোগদান কৰি দলটোক আগবঢ়াই নিছিল। জানিব পৰা মতে গুৱাহাটী সোণাৰাম হাইস্কুল খেলপথাৰত অনুষ্ঠিত হোৱা ভলীবল খেল প্ৰতিযোগিতাত অংশ লৈ সুনাম অৰ্জন কৰিছিল। ইয়াৰ বাহিৰেও গুৱাহাটী, পলাশবাৰী আদি ঠাইবিলাকতো হোৱা বিভিন্ন খেলৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি হাজো অঞ্চলক প্ৰতিনিধিত্ব কৰিছিল। শ্ৰী ৰমনী শৰ্মাৰ উপৰিও কৃতী ফুটবল খেলুৱৈ শ্ৰী প্ৰফুল্ল দাস আৰু শ্ৰী পৰেশ চন্দ্ৰ দাসে খেলসমূহ পৰিচালনা কৰি উৎসাহ-উদ্দীপনা যোগাইছিল। সেই সময়ত শ্ৰী দুৰ্লভ নাৰায়ন দাস, শ্ৰী শৰৎ বৈশ্য, শ্ৰী কুমুদ চন্দ্ৰ দাস, শ্ৰী হেমকান্ত দাস, শ্ৰী খগেন ভৰালী, শ্ৰী উত্তম বৈশ্য, শ্ৰী জীৱন মালাকৰ, শ্ৰী চিত্তৰঞ্জন দাস আদি সুদক্ষ খেলুৱৈৰে দলটো পৰিপুষ্ট আছিল। ১৯৫৪ চনৰ পৰা শ্ৰী অৱলাকান্ত আঠপৰীয়াদেৱে খেল পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰি খেলুৱৈসকলক কিছু পৰিমাণে বিজ্ঞানসন্মতভাৱে অনুশীলন দিয়াৰ প্ৰয়াস কৰিছিল। এই সময়ৰ পৰা খেলুৱৈসকল তথা খেলসমূহৰ দ্ৰুত ক্ৰমবিকাশ হ'বলৈ ধৰে। এই সকলোবোৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত স্বৰ্গীয় সুৰেন্দ্ৰ মোহন নাথৰ নাম নিশ্চয় ল'ব লাগিব। তেখেতৰ উদগণি তথা সুযোগ সুবিধা প্ৰদানৰ বাবে বিভিন্ন খেল যেনে বেডমিণ্টন, ক্ৰিকেট আদিৰো অনুশীলনৰ দিহা কৰা হৈছিল। দিন যোৱাৰ লগে লগে হাজোত হাজো টাউন ক্লাৱ, সোনামুখী টীম (কৈৱৰ্তপাৰা) আৰু অন্যান্য ফুটবল সংগঠনৰ জন্ম হৈছিল। হাজো টাউন ক্লাৱ দলটোক সকলো ধৰণৰ দিহা-পৰামৰ্শ আৰু তথা আৰ্থিক দিশতো সহায় কৰি একপ্ৰকাৰ মুখ্য পৃষ্ঠপোষকৰ দায়িত্ব লৈছিল ধোপৰগুৰি নিৱাসী প্ৰয়াত ৰামপতি বৈশ্যদেৱে। ১৯৬০ চনৰ দশকত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ফুটবল খেল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। সেই সময়ছোৱাত ক্ৰীড়াংগনখন ৰজনজনাই আছিল। টাউন ক্লাৱ আৰু সোনামুখী দলৰ উপৰিও বীৰবালক দল, কৃষক দল, ৰূপকোঁৱৰ দল আদিয়েও প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি হাজো তথা হাজো অঞ্চলতে খেলৰ এক নতুন বাতাবৰণৰ সৃষ্টি কৰিছিল। এই প্ৰতিযোগিতাত গুৱাহাটীৰ টাউন ক্লাৱ আৰু মহাৰাণাৰ কিছুমান খেলুৱৈয়ে অংশগ্ৰহণ কৰি ক্ৰীড়াপ্ৰেমী দৰ্শকক বিশেষ মনোৰঞ্জন দিয়া দেখা গৈছিল।

এইখিনিতে হাজোৰ দৰ্শকসকলকো খেল উপভোগ কৰাত প্ৰশংসা নকৰি নোৱাৰি। কিয়নো দৰ্শকসকল তীব্ৰ ক্ৰীড়ানুৰাগী আছিল। কৃষক দৰ্শকসকলে তিনি বজাৰ আগতে কৃষিকাৰ্য সমাপন কৰি খেলৰ সময়ত উপস্থিত হৈ খেলুৱৈসকলক উৎসাহ যোগাইছিল। এইদৰে হাজোৰ ক্ৰীড়াক্ষেত্ৰখনৰ ক্ৰমবিকাশ ঘটিছিল। এইদৰে আগবাঢ়ি আহি ১৯...





চনত শ্ৰী ধনেশ্বৰ দাসে হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত খেল বিভাগৰ খেলৰ সৰ্বতোপ্ৰকাৰে উন্নতিৰ হকে চেষ্টা কৰিছিল। তেখেতে কেইজনমান খেলুৱৈ ছাত্ৰবন্ধুক লগত লৈ 'হাজো ক্ৰীড়া সন্থা'খনৰ জন্ম দিছিল। শ্ৰী প্ৰফুল্ল দাসক মুখ্য উপদেষ্টা, শ্ৰী ধনেশ্বৰ দাসক সভাপতি আৰু শ্ৰী প্ৰফুল্ল নায়কক সম্পাদকৰ দায়িত্ব দি এখন সৰু কমিটী গঠন কৰা হৈছিল। এই বছৰটোতে প্ৰয়াত সুৰেন্দ্ৰ মোহন মালাকৰ দেৱৰ সোঁৱৰণত এখন চলন্ত ট্ৰফী প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। এই সময়খিনিত হয়তো সুদক্ষ খেলুৱৈৰ সৃষ্টি হৈছিল। শ্ৰী ধৰণীধৰ দাস, শ্ৰী অচ্যুত দাস, শ্ৰী শম্ভু ৰাজবংশী, শ্ৰী হৰেশ্বৰ দাস, শ্ৰী কৃষ্ণকান্ত দাস, শ্ৰী মেঘনাথ দাস, শ্ৰী ৰফিক আলী আৰু বহুতো। কেইবছৰমান চলাৰ পিছত নতুন নতুন দক্ষ সংগঠনক আহি যেনে শ্ৰী ভূপেশ মালাকৰ, শ্ৰী সুধীৰ কুমাৰ দাস, শ্ৰী মদন মোহন দাস প্ৰমুখ্যে ব্যক্তিসকলে ক্ৰীড়া সংস্থাখনক নতুন ৰূপত সজাই তোলাৰ চেষ্টা কৰিছিল। যাৰ ফলশ্ৰুতিত কৃতী ইংৰাজী শিক্ষক প্ৰয়াত কঠিৰাম দাসৰ সোঁৱৰণত এক চলন্ত ট্ৰফী প্ৰতিযোগিতাও আৰম্ভ হৈছিল। এই প্ৰতিযোগিতাতো অসমৰ বিভিন্ন অঞ্চলৰ খ্যাতিসম্পন্ন খেলুৱৈৰ দলে অংশ লৈ দৰ্শকবৃন্দক আনন্দ দিছিল। কিছুদিন পিছত বিশেষ এই প্ৰতিযোগিতা বন্ধ হ'ল। তথাপি ক্ৰীড়া সন্থাখন সজীৱ কৰি তোলাৰ বাবে শ্ৰী মদন মোহন দাসৰ সভাপতিত্বত শ্ৰী সুধীৰ দাসৰ সম্পাদকৰ দায়িত্বত ক্ৰীড়া সন্থাখন ঠন ধৰি উঠিল। তেওঁলোকৰ পৰিচালনাৰ পৰা প্ৰায় তিনি বছৰ ধৰি বৰদলৈ ট্ৰফীৰ কেইখনমান প্ৰতিযোগিতা হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হৈছিল। কিন্তু বিশেষ অসুবিধা বা খেলিমেলি হোৱাৰ বাবে সন্থাটোৰ কাম কাজ প্ৰায় দহ বছৰ মান বন্ধ হৈ থাকিল। আকৌ ইয়াৰ সমান্তৰালভাৱে শ্ৰী মমত মজুমদাৰদেৱৰ বলিষ্ঠ নেতৃত্বত চৈয়দ ইউচুফ আহমেদ, শ্ৰী প্ৰতুল দাস, শ্ৰী অকন ওজা, শ্ৰী মণ্টু ওজা প্ৰমুখ্যে কেইজনমান ব্যক্তিৰ চেষ্টাত 'হাজো স্প'ৰ্টছ ক্লাৱ'ৰ জন্ম হ'ল। এই ক্লাৱটোৰ পৰা সৃষ্টি হোৱা খেলুৱৈ অতি শক্তিশালী আছিল আৰু হাজোৰ বাহিৰত এই দলটোৱে যথেষ্ট সুনাম অৰ্জন কৰিছিল। এই দলটোত শ্ৰী নৃপেন আঠপৰীয়া, মঃ মিণ্টু আলী, শ্ৰী মাণিক দাস, শ্ৰী হেমেন মেধি, শ্ৰী মণ্টু দাস, প্ৰমুখ্যে বহুতো সুদক্ষ খেলুৱৈৰ সৃষ্টি হৈছিল। কিছুদিন পিছত হাজো স্পৰ্টছ ক্লাৱৰো কাম-কাজ স্তব্ধ হ'ল। সুদীৰ্ঘ দহ বছৰ পিছত ক্ৰীড়াপ্ৰেমী ডেকাসকলে হাজো ক্ৰীড়া সন্থাখন পুনৰুজ্জীৱিত কৰাৰ বাবে শ্ৰী ধনেশ্বৰ দাসক সভাপতি আৰু চৈয়দ ফজল আহমেদ খানক সম্পাদকৰ দায়িত্ব দি আকৌ সুন্দৰভাৱে চলাৰ পিছত বিজুতি ঘটিল যদিও বৰ্তমান ক্ৰীড়া সন্থাখন জীৱিত হৈ আছে। অহা জুন-জুলাই মাহত আকৌ পূৰ্ণোদ্যমে প্ৰতিযোগিতা আৰম্ভ কৰাৰ যোজা চলাই থকা হৈছে। সময়ে সময়ে যদিও খেল প্ৰতিযোগিতা বন্ধ হয় তথাপি উদীয়মান পৰিচালক-শিক্ষক শ্ৰী বীৰেন্দ্ৰ কুমাৰ দাসৰ উদ্যোগত খেলৰ আন প্ৰতিযোগিতাসমূহ চলাই ৰাখি দৰ্শকক আমোদ দি আহিছে। ইয়াত অসম ভিত্তিত দিবা নৈশ ভলীবল প্ৰতিযোগিতা অনুষ্ঠিত হয়। ফুটবল, ভলীবল প্ৰতিযোগিতাৰ বাহিৰেও হাজোত অসম ভিত্তিত বেডমিণ্টন প্ৰতিযোগিতাও অনুষ্ঠিত কৰি কৰি নতুন প্ৰজন্মক খেলৰ প্ৰতি অনুপ্ৰাণিত কৰিবলৈ সক্ষম হয়। এইদৰে সময়ে সময়ে বিজুতি হোৱা সত্বেও ক্ৰীড়া সন্থাখনৰ বিকাশ আৰু উন্নতি সাধন হৈ আছে। হাজো ক্ৰীড়াক্ষেত্ৰখনৰ এটি চমু আভাসহে দিয়া হৈছে। ইয়াৰ আৰু বিশদ আলোচনাৰ নিশ্চয় থল আছেই অনস্বীকাৰ্য। সদৌ শেষত ক্ৰীড়া সন্থাখনৰ উত্তৰোত্তৰ উন্নতি আৰু দীৰ্ঘজীৱি হোৱাৰ কামনা কৰিলো।●

# ক্ৰীড়াৰ প্ৰাসংগিকতা



শ্ৰী বীৰেন্দ্ৰ কুমাৰ দাস
অৱসৰপ্ৰাপ্ত শিক্ষক, হাজো এচ.বি.এচ.কে
আৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়

ক্ৰীড়া বৰ্তমান সময়ত মানৱ সমাজৰ এক অবিচ্ছেদ্য অংগ। নিঃসন্দেহে ক'ব পাৰি যে ব্যক্তিৰ শৰীৰত সৃষ্টি হোৱা অতিৰিক্ত শক্তিৰ ব্যৱহাৰৰ ফলশ্ৰুতি হিচাপে সৃষ্টি হৈছিল ক্ৰীড়াৰ। পৰিবৰ্তিত সময়ৰ লগত খোজ মিলাই ক্ৰীড়াই এতিয়া সমগ্ৰ মানৱ সভ্যতা আৰু সংস্কৃতিৰ এক চৰম পৰ্যায়লৈ অনাৰ লগতে সমগ্ৰ মানৱ জাতিৰ বাবে আকৰ্ষনৰ কেন্দ্ৰ হৈ পৰা পৰিলক্ষিত হৈছে।

## সুৰেণ দাস মহাবিদ্যালয় আৰু ক্ৰীড়া

মহাবিদ্যালয়খনৰ ক্ৰীড়া প্ৰতিযোগিতাৰ লগত পূৰ্বৰ পৰাই জড়িত হৈ থাকিব পৰাতো আমাৰ বাবে এক গৌৰৱৰ বিষয়। টেলিফোন যোগে অধ্যক্ষ ড° শৰ্মা ডাঙৰীয়াই জনালে যে গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় কাবাডি আৰু আৰ্চাৰী প্ৰতিযোগিতা (ল'ৰা-ছোৱালী, ২০১৮) অনুষ্ঠিত কৰাৰ বাবে বিশ্ববিদ্যালয় কতৃপক্ষই হেনো সুৰেণ দাস মহাবিদ্যালয়ক উদ্যোক্তাৰ দায়িত্ব অৰ্পন কৰিছে। অহা কালি এই বিষয়ে আলোচনা কৰাৰ বাবে এখন সভা আহ্বান কৰিছে তাত মই উপস্থিত থাকিব লাগে। মই লগে লগে অধ্যক্ষ মাননীয় শৰ্মা ডাঙৰিয়াক ধন্যবাদ জনোৱাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰিলো। ঠিক সেই মতে ২৩ ফেব্ৰুৱাৰী তাৰিখে দিনৰ ১ বজাত গৈ মহাবিদ্যালয়ত উপস্থিত হলো। সভাত অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যপক অধ্যাপিকাসকলৰ লগত মত বিনিময় কৰি কৈছিলো- কাবাডি আৰু আৰ্চাৰী হাজো অঞ্চলৰ বাবে কেৱল শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত নহয় আন আন ক্ষেত্ৰতো ই সম্পূৰ্ণ নতুন প্ৰতিযোগিতা হ'ব। কাবাডি এই অঞ্চলৰ বাবে অবিধ পৰিচিত ক্ৰীড়া হয় যদিও আন্তঃমহাবিদ্যালয় বা আন্তঃ জিলা পৰ্য্যায়ৰ প্ৰতিযোগিতা ইয়াত এয়াই প্ৰথম। প্ৰতিযোগিতাখনৰ মাধ্যমেৰে আমাৰ স্থানীয় যুৱ ছাম তথা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হোৱাৰ লগতেএক নতুন সোৱাদ পাব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আহ্বান মৰ্মে সুৰেণ দাস মহাবিদ্যালয়ে ইতিমধ্যে দুবাৰ আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা (ফুটবল ১৯৯৬ আৰু ভলিবল ২০১৫) অতি সুন্দৰভাৱে অনুষ্ঠিত কৰি গৌৰৱ অৰ্জন কৰিছে। আৰু এইবাৰো আমি আটায়ে মিলি সমূহীয়া প্ৰচেষ্টাৰে তৃতীয়টো কাৰ্যসূচীসফল কৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে। মহাবিদ্যালয়খনত ক্ৰীড়াৰ বাবে উপযুক্ত আন্তঃগাঠনিৰ সা-সু বিধাৰ অভাৱ থকাতো স্বীকাৰ্য। কিন্তু সীমিত ক্ষেত্ৰতে মাজেৰেও আগ্ৰহ থাকিলে আমি যিকোনো কিমান সফলতা অৰ্জন কৰিব পাৰো। কথাখিনিৰ গুৰুত্ব অধ্যাপিকা আছিল মই নাজানিলেও উপস্থিত অধ্যাপক-অধ্যাপিকা সকলে যে বিষয়টো আন্তৰিকতাৰে আকোৱালী লৈছে তাক ভালদৰে উপলব্ধি কৰিছিলো। মনতে স্থিৰ কৰিছিলো ভৱিষ্যত প্ৰজন্মৰ স্বাৰ্থত এই ক্ৰীড়া কাৰ্য্যসূচী আমি সফল কৰিবই লাগিব। মহাবিদ্যালয় পৰিয়াল বৰ্গক কৃতজ্ঞতা জ্ঞাপন কৰিছিলো কাৰণ আন্তঃমহাবিদ্যালয় ক্ৰীড়া





প্ৰতিযোগিতাত উদ্যোক্তাৰ দায়িত্ব ল'বলৈ এবাৰ হ'লেও মনত কৰিছে।

১৯৯৬ বৰ্ষৰ আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ কথা মনত পৰিলে আজিও মনটো আনন্দত নাচি উঠে। কাৰণ সেই ফুটবল প্ৰতিযোগিতা ইমান আকৰ্ষনীয় আৰু অভিজ্ঞতা পুষ্ট আছিল তাক ভাষাৰে বুজাব নোৱাৰি। ক্ৰীড়াৰ আন্তঃগাঠনিৰ ক্ষেত্ৰত বিদ্যালয়ে হওক বা মহাবিদ্যালয়ে হওক অসমৰ প্ৰায়বোৰ শিক্ষানুষ্ঠানৰ অৱস্থা যে পুতৌ লগা তাক নকলেও হ'ব। এই ক্ষেত্ৰত হাজো সুৰেণ দাস মহাবিদ্যালয়ো ব্যতিক্ৰম নহয়। কিন্তু আমি ছাত্ৰ, খেলুৱৈ, ক্ৰীড়া সংগঠক, অভিভাৱক আৰু শিক্ষানুষ্ঠানৰ প্ৰধান সকলে আন্তঃগাঠনিৰ দোহাই দি নিজকে দোষ, মুক্ত কৰিব বিচাৰো। প্ৰমাণ হিচাপে আমাৰ মাজত থকা ক্ৰীড়াৰ সীমিত সা-সুবিধাখিনি আমি কিমান ব্যৱহাৰ কৰিছো। উন্নত মানৰ বিজ্ঞান সন্মত ক্ৰীড়াৰ আন্তঃগাঠনিতকৈ ব্যক্তিৰ মনৰ ইচ্ছা আৰু আত্মবিশ্বাস বহু ওপৰত। আত্মবিশ্বাসেহে ব্যক্তিক সফলতাৰ শিখৰলৈ লৈ যোৱাত সহায় কৰে। এই চেগতে মহাবিদ্যালয়খনৰ মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে অধ্যাপক-অধ্যাপিকা আৰু বিশেষকৈ ছাত্ৰ সমাজক ক্ৰীড়াৰ প্ৰতি অনুৰাগী হ'বলৈ আহ্বান জনালো।

## সুস্থ সমাজ গঠনত ক্ৰীড়াৰ ভূমিকা

স্বামী বিবেকানন্দদেৱে কৈছিল— বৰ্তমান ভাৰতবৰ্ষৰ যুৱ সমাজৰ বাবে ৰামায়ণ, মহাভাৰত, গীতা, বাইবেল, কোৰাণ আদি ধৰ্মগ্ৰন্থসমূহতকৈ এখন খেল পথাৰ অধিক প্ৰয়োজনীয়। স্বামীজিৰ এই কথাষাৰ আলোচনা কৰিলে ইয়াকে বুজা যায় যে ভাৰতবৰ্ষৰ দৰে বিবিধতাৰে পৰিপূৰ্ণ এখন ৰাষ্ট্ৰৰ শ্ৰীবৃদ্ধিত ধৰ্মই একো সহায় কৰিব নোৱাৰে। বিবিধতাৰ মাজত ঐক্য স্থাপন কৰিবলৈ হ'লে ক্ৰীড়া আৰু খেলৰ পথাৰহে অধিক প্ৰয়োজন আছে। কাৰণ ক্ৰীড়া আৰু শৰীৰ চৰ্চাই যিদৰে ব্যক্তিৰ শৰীৰৰ জড়তা নিৰ্মূল কৰে ঠিক তেনেদৰে সমাজত থকা বৰ্ণ-বৈষম্য, উচ্চ-নীচ, ধনী-দুখীয়া আদি ভেদা ভেদবোৰ সমাজৰ পৰানিৰ্মূল কৰে। কাৰণ ক্ৰীড়াৰ কোনো ভাষা নাই, ধৰ্ম নাই, নাই কোনো জাত-পাত। সকলো ভাষাৰ সকলো ধৰ্মৰ খেলুৱৈ একে লগ হৈ নিজৰ শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰাৰ লগতে ক্ৰীড়াক্ষেত্ৰখন এখন মহা মিলনৰ তীৰ্থত পৰিণত কৰে। য'ত সকলো ধৰ্ম, সকলো ভাষা, সকলো বৰ্ণ একে লগ হৈ বিজয়ৰ গান গায়। আগতেও কৈছো, এতিয়াই কও যে বৰ্তমান সমাজৰ ব্যধি স্বৰূপ ৰাগিয়াল দ্ৰব্যই যুৱ সমাজক আকৰ্ষিত কৰাই নহয় ধংসৰ গৰাহলৈ লৈ গৈ থকাতো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। ইয়াৰ পৰা ৰক্ষা পাবলৈ যদি আমি ক্ৰীড়া আৰু শাৰীৰিক শিক্ষাৰ প্ৰতি নিজকে আকৰ্ষিত কৰো তেতিয়াহে এই সমস্যাৰ সমাধান হ'ব। ক্ৰীড়াৰ সু ফল আৰু উপকাৰিতাৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি। ক্ৰীড়া কাৰ্য্যসূচী আৰু ক্ৰীড়াবিদৰ আদৰ্শই সমাজত যে এক ইতিবাচক প্ৰভাৱৰ সৃষ্টি কৰে তাত কোনো সন্দেহ নাই। বিবিধতা আৰু বিশৃংখলতাৰে পৰিপূৰ্ণ ভাৰতীয় সমাজখনক ৰক্ষা তথা আগুৱাই নিয়াৰ ক্ষেত্ৰত ক্ৰীড়াৰ ভূমিকা যে অপৰিহাৰ্য সেই কথা উপলব্ধি কৰাৰ সময় আমাৰ বাবে সমাগত। অন্যথা আমি এক বিৰাট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

## হাজো আৰু ক্ৰীড়া

অতীজৰ পৰাই হাজোৰ ক্ৰীড়া পৰম্পৰাই এক সুকীয়া স্থান দখল কৰিছে তাত কোনো সন্দেহ নাই। পৰম্পৰাগত ক্ৰীড়া যেনে হাউ খেল, নাও খেল, কণি যুঁজ, বুলবুলি চৰাই যুঁজ ইত্যাদি খেল বোৰে ৫০ ৰ দশকৰ আগলৈ সমাজত বিশেষ স্থান পাইছিল যদিও সময়ৰ পৰিবৰ্তনৰ লগে লগে আধুনিক ক্ৰীড়াই পৰম্পৰাগত ক্ৰীড়া সমূহৰ প্ৰতি থকা আকৰ্ষণ কিছু পৰিমাণে লাঘৱ হোৱাটো পৰিলক্ষিত হৈছে। আধুনিক ক্ৰীড়াৰ প্ৰসাৰ আৰু প্ৰচাৰৰ লগে লগে প্ৰায় ৭০ দশকত হাজো ক্ৰীড়া সন্থা গঠন প্ৰক্ৰিয়া আৰম্ভ হৈছিল। প্ৰণিধান যোগ্য যে ৫০ দশকৰ আগৰ পৰাই হাজো অঞ্চলত ফুটবলৰ জনপ্ৰিয়তা শলাগিবলগীয়া। সেই সময়ৰ হাজোৰ ফুটবল প্ৰেমীয়ে দল গঠন কৰি সমগ্ৰ কামৰূপ জিলাতে (অবিভক্ত) ফুটবল প্ৰতিযোগিতাৰ ক্ষেত্ৰত আলোড়ণৰ সৃষ্টি কৰিছিল। আজি সেইসকল খেলুৱৈ আমাৰ মাজত

নাই কিন্তু তেখেতসকলৰ ক্ৰীড়া প্ৰতিভা আজিও জিলিকি আছে। ৮০ দশকত গঠন হোৱা হাজো স্পোৰ্টচ ক্লাৱে ফুটবল দল গঠন কৰি প্ৰায় ২০ বছৰ কাল খেল প্ৰদৰ্শন কৰি সমগ্ৰ নামনি অসমত এক আলোড়ন সৃষ্টি কৰিবলৈ সক্ষম হৈছে। হাজো ক্ৰীড়া সন্থাৰ উদ্যোগত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত অতি উন্নত মানৰ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ উপৰিও ৯০ দশকত তিনিবাৰ কৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ফুটবল প্ৰতিযোগিতাৰ দৰে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ফুটবল প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক পৰ্য্যায়ৰ খেল হাজোত অনুষ্ঠিত কৰি দক্ষ উদ্যোক্তাৰ প্ৰমাণ দিছে। ফুটবলৰ ক্ষেত্ৰত হাজোৰ আন এক উল্লেখনিয় দিশ হ'ল ২০০০ বৰ্ষত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফুটবল দলে সদৌ অসম আন্তঃজিলা 'পিলিক চৌধুৰী সোঁৱৰণী' ফুটবল প্ৰতিযোগিতাত বিজয়ীৰ সন্মান অৰ্জন কৰি দিল্লীত অনুষ্ঠিত 'সুব্ৰত মুখাৰ্জী আন্তঃৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা'ত অসমক প্ৰতিনিধিত্ব কৰাৰ সুযোগ পোৱাটো। ফুটবলৰ ক্ষেত্ৰত এই সাফল্য এতিয়া পৰ্যন্ত সৰ্বোচ্চ সাফল্য। অকল ফুটবলৰ ক্ষেত্ৰতে নহয় বিশেষকৈ ভলিবল এথলেটিক্‌চ ইত্যাদি বিষয়তো আমাৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকল যে পিছ পৰি থকা নাই তাৰো উদাহৰণ আছে। ছোৱালী ভলিবলৰ ক্ষেত্ৰত হাজো ভলিবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত বিগত কেইবাবছৰো ধৰি হাজোৰ ছোৱালী ভলিবল খেলুৱৈসকল আগুৱাই আহি কামৰূপ জিলাক প্ৰতিনিধিত্ব কৰাৰ উপৰিও দুগৰাকীকৈ খেলুৱৈ ক্ৰমে শ্ৰী জয়শ্ৰী ৰাজবংশী আৰু শ্ৰী মনালিছা দাসে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ছোৱালী ভলিবল প্ৰতিযোগিতাত ২০১৫ বৰ্ষত (পাঞ্জাৱত) অসম দলক প্ৰতিনিধিত্ব কৰাৰ গৌৰৱ অৰ্জন কৰিছে। ক্ৰীড়াৰ ক্ষেত্ৰত ২০১৫ বৰ্ষটো হাজোৰ ক্ৰীড়াপ্ৰেমীৰ বাবে অতিকৈ গৌৰৱৰ বৰ্ষ। কিয়নো সেই বৰ্ষত হাজোৰ কৃতি সন্তান কাৰাটে খেলুৱৈ হাজো ধোপৰগুৰি নিবাসী প্ৰয়াত লক্ষ্মীনন্দন মজুমদাৰৰ পুত্ৰ দিপাংকৰ মজুমদাৰে বেংককৰ থায়লেণ্ডত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতা 'থাইলেণ্ড অপেন কাৰাটে চেম্পিয়নচিপত' ভাৰতক প্ৰতিনিধিত্ব কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰি অকল হাজোৰ বাবেই নহয়, অসম তথা ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। এই চেগতে হাজোৰ প্ৰতি গৰাকী প্ৰতিভাবান খেলুৱৈক আমাৰ ফালৰ পৰা পুনৰবাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। ক্ৰীড়াৰ উন্নতি কৰিবলৈ হ'লে প্ৰথমে সংগঠকৰ প্ৰয়োজন। হাজোত সংগঠকৰ অভাব হোৱা নাই। অভাৱ হৈছে সংগঠকসকলৰ মাজত সদ্ভাৱ আৰু একাগ্ৰতাৰ। ইয়াৰ বাবে হাজোৰ মুখ্য ক্ৰীড়া সংগঠন হাজো ক্ৰীড়া সন্থাই যথেষ্ট অগ্ৰণী ভুমিকা পালন কৰাৰ প্ৰয়োজন হৈছে। গতিকে সময়ৰ লগত পৰিবৰ্তনৰ কথা লক্ষ্য কৰি ক্ৰীড়া সংগঠকসকল আগবাঢ়ি আহি সংগঠনৰ দায়িত্ব পালন কৰিবলৈ আহ্বান জনালো।

হাজোৰ সচেতন অভিভাৱকসকলৰ প্ৰতি বিশেষ আহ্বান জনাও তেখেতসকলে যেন অতি কম বয়সৰ পৰাই (বুনিয়াদী শ্ৰেণীৰ পৰাই) নিজৰ সন্তানক ক্ৰীড়া আৰু শৰীৰ চৰ্চাৰ প্ৰতি আকৰ্ষিত কৰাৰ ব্যৱস্থা কৰে। কাৰণ ইয়াৰ দ্বাৰা শিশুৰ স্বাস্থ্যৰ উন্নতি অনিবাৰ্য্য। সু-স্বাস্থ্যৰ অধিকাৰী হ'লেহে শিশুসকলৰ মানসিক উন্নতি সম্ভৱ হ'ব। শৰীৰ আৰু মন এটা আনটোৰ পৰিপূৰক যদিও এটা সুস্থ শৰীৰৰ ভিতৰতহে এটা শুদ্ধ মন থকাটো সম্ভৱ। সেয়েহে কুমলীয়া অৱস্থাৰ পৰাই আমি শিশুসকলৰ শৰীৰ আৰু মনৰ বিকাশৰ গুৰুত্ব প্ৰদান কৰাটো অতি প্ৰয়োজন। ব্যক্তি তথা সমাজৰ সুখ-শান্তি আৰু প্ৰগতিৰ ক্ষেত্ৰত পৰিয়ালৰ সু-স্বাস্থ্য সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়। সুৰেন দাস মহাবিদ্যালয় ক্ৰীড়া কাৰ্যসূচীয়ে আমাৰ অঞ্চলৰ যুৱ-চামৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰক। গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিচাৰত আমাৰ মহাবিদ্যালয় সদায় শীৰ্ষ স্থান লাভ কৰক। আহক আমি আটায়ে মিলি এই ক্ৰীড়া কাৰ্যসূচী সুন্দৰভাৱে সক্ষম কৰাৰ লগতে তীৰ্থ নগৰী হাজোৰ মান গৌৰৱ ৰক্ষা কৰাত কিঞ্চিত মান হলেও সহযোগ আগবঢ়াও তাৰেই কামনাৰে।●





# কাবাডী, হৈ গুদু বা হাউখেল



ড° ৰীপিমা বুজৰবৰুৱা
সহযোগী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

ভাৰতৰ এটা থলুৱা, পৰম্পৰাগত আৰু অতি জনপ্ৰিয় খেল হৈছে কাবাডী। বৰ্তমান সময়ত পৃথিৱীত বহু দেশত ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ হৈছে যদিও ইয়াৰ আৰম্ভণি প্ৰাচীন ভাৰতবৰ্ষত হৈছিল বুলি জনা যায়। ভাৰতত অঞ্চলভেদে ইয়াৰ নাম বেলেগ বেলেগ। তামিলনাডুত কাপাদ্দি বা চাডুকুডু, কৰ্ণাটক আৰু টেলেঙ্গনাত কাবাদ্দি, বঙ্গত হাদুদু, পাঞ্জাৱত কৌদি, অন্ধ্ৰপ্ৰদেশত চেদুগুদু, পশ্চিম ভাৰতত হু টু টু আৰু পূব ভাৰতত ইয়াক হু ডু ডু বুলি জনা যায়। বাংলাদেশত খেলটোৱে ৰাষ্ট্ৰীয় খেলৰ মৰ্য্যাদা লাভ কৰিছে।

